CHRI 2015

# পুলিচৰ বিষয়ে জানিবলৈ বিচৰা ১০১ টা কথা যিবোৰ সুধিবলৈ আপুনি সংকোচ কৰে





CHRI
কমনৱেল্‌থ হিউমেন ৰাইট্‌ছ্ ইনিচিয়েটিভ
কমনৱেল্‌থৰ দেশবোৰত মানৱ অধিকাৰৰ বাস্তৱিক উপলব্ধিৰ হকে কৰ্তব্যৰত

# কমনৱেলথ্ হিউমেন ৰাইট্‌ছ ইনিচিয়েটিভ

কমনৱেল্‌থ হিউমেন ৰাইট্‌ছ ইনিচিয়েটিভ (Commonweath Human Right Initative-CHRI) এক স্বাধীন, নিৰপেক্ষ আন্তঃৰাষ্ট্ৰীয় অনা-চৰকাৰী সংগঠন, যিয়ে কমনৱেল্‌থৰ দেশবোৰত মানৱ অধিকাৰৰ বাস্তৱিক উপলব্ধিৰ বাবে কাৰ্যাধিকাৰ পাইছে। ১৯৮৭ চনত কমনৱেল্‌থ দেশবোৰৰ কেবাটাও পেছাদাৰী সংস্থাই লগ হৈ CHRI গঠন কৰিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে কমনৱেল্‌থ সদস্য ৰাষ্ট্ৰসমূহক কাম কৰাৰ ভিত্তি হিচাপে সকলোৰে সমভাগী এলানি প্ৰমূল্য আৰু বিধিগত নীতি তথা মানৱ অধিকাৰৰ পৃষ্ঠপোষকতা কৰিবলৈ এখন বিচাৰালয় আগবঢ়াইছে যদিও কমনৱেল্‌থৰ ভিতৰত মানৱ অধিকাৰৰ বিষয়বোৰত বিশেষ আলোকপাত কৰা হোৱা নাই।

CHRI-ৰ উদ্দেশ্য হ'ল কমনৱেল্‌থ হাৰাৰে নীতি (Harare Principle), সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণা আৰু অন্যান্য আন্তৰ্জাতিকভাৱে স্বীকৃত মানৱ অধিকাৰ ৰক্ষাৰ মাধ্যম তথা মানৱ অধিকাৰক সহযোগ কৰা স্থানীয় মাধ্যমসমূহৰ বিষয়ে সজাগতা তথা আনুগত্য বৃদ্ধি কৰা।

নিৰ্দিষ্ট সময়ৰ অন্তৰত হোৱা তেওঁলোকৰ অনুসন্ধান আৰু প্ৰতিবেদনবোৰৰ জৰিয়তে CHRI-এ ধাৰাবাহিকভাৱে কমনৱেল্‌থ দেশবোৰত হোৱা মানৱ অধিকাৰৰ প্ৰগতি আৰু প্ৰগতিৰ অন্তৰায়বোৰৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি আহিছে। মানৱ অধিকাৰ ভংগ প্ৰতিৰোধ কৰিবলৈ গ্ৰহণ কৰা ব্যৱস্থাবোৰ বা কাৰ্যবিধিৰ হকে প্ৰচাৰ কৰিবলৈ CHRI-য়ে কমনৱেল্‌থ সচিবালয়, সদস্য ৰাষ্ট্ৰসমূহ তথা নাগৰিক সমাজৰ সংস্থাসমূহক সম্বোধন কৰে। ৰাজহুৱা শিক্ষণ কাৰ্যসূচী, নীতিৰ ওপৰত আলোচনা, তুলনামূলক গৱেষণা, প্ৰচাৰ তথা যোগাযোগৰ জৰিয়তে CHRI-ৰ সমগ্ৰ কাৰ্যপদ্ধতি হ'ল বিশেষ বিষয়বোৰত অনুঘটকৰ কাম কৰা।

CHRI-ক পৃষ্ঠপোষকতা কৰা সংগঠনসমূহৰ প্ৰকৃতিয়ে এক জাতীয় উপস্থিতি আৰু আন্তৰ্জাতিক যোগাযোগক অনুমতি দিয়ে। এই পেছাদাৰী লোকসকলে নিজৰ কামত মানৱ অধিকাৰৰ আদৰ্শবোৰ সংযুক্ত কৰি ৰাজহুৱা নীতিৰ দিশ নিৰ্ধাৰণো কৰিব পাৰে আৰু মানৱ অধিকাৰৰ সূচনা, মান তথা আচৰণবোৰৰ প্ৰচাৰৰ বাবে বাহক হিচাপে কাম কৰিব পাৰে। এই গোটবোৰে মানৱ অধিকাৰৰ প্ৰচাৰৰ বাবে স্থানীয় জ্ঞানবোৰ সকলোৰে আগলৈ উলিয়াই আনে, নীতি নিৰ্ধাৰণকাৰীসকলৰ ওচৰলৈ যাব পাৰে, আলোচনা কৰিবলগীয়া বিষয়বোৰক বিশেষভাৱে দেখুৱায় আৰু ঐক্যমত হৈ কাম কৰে।

CHRI ভাৰতবৰ্ষৰ নতুন দিল্লীত অৱস্থিত আৰু সংযুক্ত গণৰাজ্যৰ লণ্ডন আৰু ঘানাৰ অক্‌ৰাত এওঁলোকৰ কাৰ্যালয় আছে।


**আন্তৰ্জাতিক উপদেষ্টা আয়োগ ঃ** য়শপাল ঘাই সভাপতি। সদস্যসকল-আলিচন্ ডাক্সবাৰী, ক্লাৰে ডুবে, বিৰেক মাৰু, এডৱাৰ্ড মটিমাৰ, ছেম ওকুড্‌জেট' আৰু মাজা ডাৰুৱালা।

**কাৰ্যবাহী সমিতি (ভাৰত) ঃ** ৱাজাহত হাবিবওল্লাহ — সভাপতি, সদস্যসকল — বি.কে.চন্দ্ৰশেখৰ, নিতিন দেসাই, সঞ্জয় হাজৰিকা, কমল কুমাৰ, পুনম মুত্ৰেজা, ৰুমা পাল, জেকব পুন্নুস, এ.পি.শাহ আৰু মায়া দাৰুৱালা — সঞ্চালক।

**কাৰ্যবাহী সমিতি (ঘানা) ঃ** ছেম্ ওকুডজেট — সভাপতি, সদস্যসকল — একোটা আমপাও, যশপাল ঘাই, ৱাজাহত হাবিবওল্লাহ, নেভিল লিন্টন, কফি কুয়াশিগা, জুলিয়েট টুয়াকলি আৰু মায়া দাৰুৱালা — সঞ্চালক।

**কাৰ্যবাহী সমিতি (সংযুক্ত গণৰাজ্য) ঃ** ক্লোৰে ডুবে — সভাপতি, সদস্যসকল — ৰিচাৰ্ড বোৰ্ন, কেথৰিন ও'ব্ৰাইন, মিনাক্ষী ধৰ, জোৱানা এৱাৰ্ট — জেমস্, ফ্ৰানচেছ হেৰিচন, সদাকত কাদৰি, নেভিল লিন্টন, শেশী নাথন, ৰিতা পেইন, মাইকেল ষ্টোন।

'কমনৱেলথ জাৰ্ণেলিষ্ট এছোছিয়েশ্যন, কমনৱেলথ্ লয়াৰ্ছ এছোছিয়েশ্যন, কমনৱেলথ লিগেল এডুকেশ্বন এছোছিয়েশ্যন, কমনৱেলথ্ পাৰ্লামেণ্টৰী এছোছিয়েশ্যন, কমনৱেলথ প্ৰেছ য়ুনিয়ন আৰু কমনৱেলথ ব্ৰডকাষ্টিং এছোছিয়েশ্যন।



আই এছ বি এনঃ ৮১-৮৮২০৫-৬৭-২



© কমনৱেল্‌থ হিউমেন ৰাইট্‌ছ ইনিচিয়েটিভ, ২০০৯, পুনৰ্মুদ্ৰণ / শেহতীয়া তথ্য সন্নিবিষ্ট ঃ´, ২০১৫

উৎসৰ কথা যথোচিত ভাৱে স্বীকাৰ কৰিলে এই প্ৰতিবেদনৰ তথ্য পাতি ব্যৱহাৰ কৰিব পাৰিব।



**CHRI ৰ মুখ্য কাৰ্যালয়**
**নতুন দিল্লী**
কমনৱেল্‌থ হিউমেন ৰাইটছ ইনিচিয়েটিভ
৫৫ এ, তৃতীয় মহলা, সিদ্ধাৰ্থ চেম্বাৰ্চ,
কালুসৰায়, নতুন দিল্লী - ১১০০১৬,
ভাৰত,
দূৰভাষ ঃ +৯১-১১-৪৩১৮-০২০০, ৪৩১৮-০২০১
ফেক্স ঃ +৯১-১১-৪৬১৮-০২০৭
info@humanrightsinitiative.org

**CHRI সংযুক্ত গণৰাজ্য**
**লণ্ডন**
ৰুম ন. ২১৯,
স্কুল অৱ এডবান্সড্ ষ্টাডি
সাওথ ব্লক্, চিনেট হাউছ, মলেট ষ্ট্ৰীট
লণ্ডন ডব্লিউ.চি 1 ই 7 এ.এচ.ইউ.কে.
দূৰভাষ ঃ +৪৪-(০) ২০৭৬৬৪৪৮৬০
ফেক্স ঃ +৪৪(০)২০৭৮৬২৮৮২০
chri.admin@sas.ac.uk

**CHRI আফ্ৰিকা**
**অক্‌ৰা**
ঘৰ নং -৯, সামোৰা মাচেল
অসীলাম্ ডাউন্ ষ্ট্ৰীট্
বেভাৰ্‌লী হিল্ হোটেলৰ বিপৰীতে
ষ্ট্ৰাষ্ট টাৱাৰৰ ওচৰত, অক্‌ৰা, ঘানা
দূৰভাষ ঃ + ২৩৩-৩০২-৯৭১১৭০
টেলিফেক্স ঃ + ২৩৩-৩০২-৯৭১১৭০
chriafr@africaonline.com.gh

www.humanrightsinitiative.org

# পুলিচৰ বিষয়ে
# জানিবলৈ বিচৰা ১০১ টা কথা
# যিবোৰ সুধিবলৈ আপুনি সংকোচ কৰে




*লেখিকা ঃ*

**নৱাজ কোটৱাল**
**মায়া দাৰুৱালা**

# আগকথা

প্ৰত্যেক দিনেই আমি বিভিন্নধৰণে পুলিচৰ সংস্পৰ্শলৈ আহোঁ। আমি তেওঁলোকক বিভিন্ন কৰ্তব্যত ব্যস্ত হৈ থকা পাওঁ। ৰাস্তাৰ যান-বাহন নিয়ন্ত্ৰণ, ভি.আই.পি. সকলৰ সুৰক্ষা, জনসমাগম নিয়ন্ত্ৰণ, আদালতলৈ মানুহক আগবঢ়াই নিওঁতে নিৰাপত্তা প্ৰদান, সাক্ষ্য-প্ৰমাণ প্ৰদান, আৰক্ষী থানাত ৰাইজৰ অভিযোগ গ্ৰহণ অথবা অপৰাধী আৰু সন্ত্ৰাসবাদীৰ লগত মোকামিলা কৰা আদি অনেক কামত তেওঁলোক ব্যস্ত হৈ থাকে। বাতৰি-কাকত, টিভি বা মানুহৰ মুখে মুখে আমি আৰক্ষীৰ বিষয়ে বহুত ধৰণৰ কথা শুনিবলৈ পাওঁ। প্ৰত্যেকৰে আৰক্ষীৰ বিষয়ে নিজস্ব অভিমত আছে, যিবোৰ সাধাৰণতে বৰ ভাল ধৰণৰ নহয়। কিন্তু দৰাচলতে প্ৰায়ভাগ মানুহে আৰক্ষীৰ বিষয়ে খুব কমেইহে জানে।


আমাৰ গণতন্ত্ৰত ইউনিফৰ্ম পিন্ধি জনসাধাৰণক দমন কৰিবলৈ আৰু নিয়ন্ত্ৰণত ৰাখিবলৈ আৰক্ষীসকল চৰকাৰৰ এজেণ্ট নহয়। বৰঞ্চ, অগ্নিনিৰ্বাপক বাহিনী বা ৰাজহ বিভাগৰ দৰে ই এটা অত্যাৱশ্যকীয় সেৱা। আইনৰ অধীনত আমাৰ সকলোকে সুৰক্ষা প্ৰদান কৰা তেওঁলোকৰ কৰ্তব্য। আমোলাসকলৰ দৰে আৰক্ষীসকলো জনসাধাৰণৰ সেৱক।

আমাৰ প্ৰতি যেনেদৰে আৰক্ষীৰ কৰ্তব্য আছে, তেনেদৰে আমাৰো আৰক্ষীৰ প্ৰতি কৰিবলগীয়া আছে। দায়িত্বশীল নাগৰিক হিচাপে তেওঁলোকক ভয় কৰা বা বেয়া পোৱা অথবা মাথোঁ বিপদৰ সময়ত তেওঁলোকৰ ওচৰলৈ যোৱাটো যথেষ্ট নহয়। দেশৰ প্ৰচলিত আইন শক্তিশালী কৰিবলৈ আৰক্ষী আৰু জনসাধাৰণে একেলগে কাম কৰিব লাগিব। তেওঁলোকৰ কাম আৰু তেওঁলোকে সন্মুখীন হোৱা প্ৰত্যাহ্বানবোৰ, তেওঁলোকে কি কৰে আৰু কেনেদৰে কৰে, তেওঁলোকৰ সংগঠনটো কেনেকুৱা আৰু তেওঁলোকৰ ক্ষমতা তথা কৰ্তব্যৰ সীমা জনা প্ৰয়োজন। আমি আমাৰ অধিকাৰ আৰু কৰ্তব্যৰ বিষয়ে জনাটোও প্ৰয়োজন; কাৰণ আৰক্ষীয়েই হওক বা নাগৰিকেই হওক, কোনেও যাতে আইন ভংগ কৰি শাস্তিৰপৰা ৰেহাই পাব নোৱাৰে। আইনৰ শাসন বুলিলে ইয়াকেই বুজায়।

আৰক্ষীক বুজিবলৈ এই সৰু কিতাপখন এক সহজ হাতপুথি। কোনো বিষয় সম্পৰ্কে যেতিয়া আমি জানো মাথোঁ তেতিয়াহে আমি আত্মবিশ্বাসেৰে কথা ক'ব পাৰোঁ। আৰু আমি অন্যায়ৰ বিৰুদ্ধে মাত মাতিলেহেপৰিস্থিতি সলনি হ'ব। আমি আশা কৰোঁ যে এই হাতপুথিখন ব্যৱহাৰ কৰি জনসাধাৰণে আৰক্ষীৰ বিষয়ে তথা তেওঁলোকৰ নিজৰ অধিকাৰৰ বিষয়ে জানিব আৰু আমাৰ সকলোৰে প্ৰাপ্য উন্নত আৰক্ষী সেৱাৰ বাবে দাবী কৰিবলৈ এই তথ্য ব্যৱহাৰ কৰিব। এই আশাৰে এই হাতপুথিখন উলিওৱা হৈছে।

**ধাৰণা, সংকল্পনা আৰু বিন্যাস ঃ** চেন্থিলকুমাৰ পৰমাশিৱম্
চিত্ৰ ঃ সুৰেশ কুমাৰ

## ১. আমাৰ আৰক্ষী বাহিনী এটা কিয় আছে?



নাগৰিকসকলক সুৰক্ষা আৰু নিৰাপত্তাৰ পৰিৱেশ দিবলৈ আমাৰ এটা আৰক্ষী বাহিনী আছে। আৰক্ষীয়ে সমাজত শান্তি আৰু শৃংখলা ৰক্ষা কৰাৰ লগতে অপৰাধ হোৱাত বাধা দিয়ে আৰু অপৰাধ চিনাক্ত কৰে। তেওঁলোকে আইন বলৱৎকাৰী হিচাপে কাম কৰে। সকলোৱে, আনকি আৰক্ষী বাহিনীৰ লোকেও যাতে সকলো সময়তে আইন মানি চলে, সেয়া নিশ্চিত কৰা আৰক্ষীৰ কাম।

## ২. আৰক্ষীয়ে কি কৰিব বুলি আশা কৰা হয়?




আৰক্ষী বাহিনীৰ বিভিন্ন ধৰণৰ দায়িত্ব আছে। আৰক্ষীয়ে অপৰাধ সংঘটিত হোৱাত বাধা প্ৰদান কৰিব লাগে আৰু অপৰাধ নিয়ন্ত্ৰণ কৰিব লাগে। যেতিয়াই কোনো অপৰাধ সংঘটিত হয়, আৰক্ষীয়ে তাক চিনাক্ত কৰিব লাগে আৰু ভালদৰে অনুসন্ধান কৰিব লাগে। আৰক্ষীয়ে সত্য সাক্ষ্য-প্ৰমাণৰ ভিত্তিত কেছটো তৈয়াৰ কৰিব লাগে যাতে গুচৰীয়া পক্ষৰ উকিলে আদালতত কেছটো উত্থাপন কৰিব পাৰে। সমাজত সামগ্ৰিক আইন-শৃংখলা বৰ্তাই ৰখাৰ দায়িত্বও আৰক্ষীৰ। সেই কাৰণেও আৰক্ষীয়ে তেওঁলোকে সেৱা আগবঢ়োৱা অঞ্চলটোৰ লোকসকলৰ মাজত বা তাৰ আশে-পাশে ক'ত কি হৈ আছে তাৰ খবৰ সংগ্ৰহ কৰে।

## ৩. আৰক্ষীৰ ক্ষমতা বুলিলে কি বুজায়?




আৰক্ষীৰ বিভিন্ন ধৰণৰ ক্ষমতা আছে। এই ক্ষমতাবোৰ আইন প্ৰদত্ত। সেয়ে আইনত যেনেদৰে লিখা আছে, তেনেদৰেহে তেওঁলোকে এই ক্ষমতাবোৰ প্ৰয়োগ কৰিব পাৰে। সেয়ে তেওঁলোকে গ্ৰেপ্তাৰ, তালাচী তথা বয় বস্তুৰ বাজেয়াপ্তকৰণ, অপৰাধৰ অনুসন্ধান, সাক্ষীক প্ৰশ্ন, সন্দেহজনক ব্যক্তিক জেৰা, অবাধ্য মানুহৰ দলক ছত্ৰভংগ দিয়া আৰু সমাজত শৃংখলা বৰ্তাই ৰাখিব পাৰে। কিন্তু এই ক্ষমতা প্ৰয়োগ কৰোঁতে আইনত যেনেদৰে লিখা আছে তেনেদৰেহে কৰিব পাৰে, অন্য কোনো উপায়েৰে নহয়। তেওঁলোকৰ যি মন যায় তাকেই কৰিব নোৱাৰে। ক্ষমতাৰ যি কোনো অপব্যৱহাৰ অথবা কৰ্তব্যৰ গাফিলতিক অনুশাসন ভংগ, সামাজিক অপকৰ্ম বা অপৰাধৰ সমকক্ষ বুলি ধৰা হয় আৰু তাৰ বাবে আৰক্ষী বিষয়াগৰাকী শাস্তিৰ সন্মুখীন হ'ব লাগিব।

## ৪. ভাৰতবৰ্ষত মাথোঁ এটাই আৰক্ষী বাহিনী আছে নেকি?

নহয়। প্ৰত্যেক ৰাজ্যত সেই ৰাজ্যৰ চৰকাৰৰ নিয়ন্ত্ৰণত একোটাকৈ আৰক্ষী বাহিনী আছে।

গতিকে দেশত কেবাটাও আৰক্ষী বাহিনী আছে। ৰাজধানী দিল্লী, চণ্ডীগড়, পণ্ডিচেৰী, দমন আৰু দিউ, দাদ্ৰা আৰু নগৰ হাভেলী আৰু আন্দামান নিকোবৰ দ্বীপপুঞ্জ আদি কেন্দ্ৰীয় চৰকাৰৰ অধীনত থকা ঠাইবোৰৰ আৰক্ষী বাহিনী কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণত থাকে।

**৫. অৰ্ধ-সামৰিক বাহিনীবোৰ কি কি?**

কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, সীমা সুৰক্ষা বাহিনী, অসম ৰাইফল্‌ছ, ইণ্ডো-তিব্বতীয় সীমা বাহিনী আৰু ৰাষ্ট্ৰীয় সুৰক্ষা প্ৰহৰী আদি অৰ্ধ-সামৰিক বাহিনীবোৰ হ'ল কেন্দ্ৰীয় চৰকাৰৰ বিশেষ কামৰ বাবে গঠন কৰা সশস্ত্ৰ আৰক্ষী বাহিনী। এই বাহিনীবোৰক সৈন্য বাহিনীৰ দৰে গঠন কৰা হৈছে। সেইবাবে এই বাহিনীবোৰক অৰ্ধ-সামৰিক বাহিনী বুলি কয়। এই বাহিনীবোৰে বিদ্ৰোহ দমন বা সন্ত্ৰাসবাদ-বিৰোধী কাৰ্য আৰু নাগৰিক-বিদ্ৰোহৰ সময়ত আৰক্ষীক সহায় কৰে।



**৬. যি কোনো ব্যক্তি আৰক্ষী বিষয়া হ'ব পাৰেনে?**

হয়, যি কোনো ব্যক্তি আৰক্ষী বিষয়া হ'ব পাৰে। কিন্তু সেই বিশেষ পদবীৰ বাবে প্ৰয়োজনীয় যোগ্যতা আৰু গুণাৱলী থাকিব লাগিব। উদাহৰণ হিচাপে, কনিষ্টবল হ'বলৈ অতি কমেও উচ্চ মাধ্যমিক উত্তীৰ্ণ হ'ব লাগিব। উপ-পৰিদৰ্শক হ'বলৈ স্নাতক হ'ব লাগিব।

**৭. মই কেনেদৰে এগৰাকী আৰক্ষী বিষয়া হ'ব পাৰোঁ?**

আৰক্ষী বাহিনীত যোগদান কৰিবলৈ তিনিটা স্তৰ আছে। ৰাজ্যিক স্তৰত আপুনি কনিষ্টবল হিচাপে যোগদান কৰি আৰক্ষী উপ-অধীক্ষক হ'বগৈ পাৰে বা উপ-পৰিদৰ্শক হিচাপে যোগদান কৰি এখন জিলাৰ দায়িত্বত থকা আৰক্ষী অধীক্ষক হ'বগৈ পাৰে।

কনিষ্টবল আৰু উপ-পৰিদৰ্শক হ'বলৈ লিখিত পৰীক্ষাত বহিব লাগে। এই পৰীক্ষাত উত্তীৰ্ণ হ'লে শাৰীৰিক পৰীক্ষা দিব লাগিব। শাৰীৰিক পৰীক্ষাত উত্তীৰ্ণ হ'লে আপোনাক সাক্ষাৎকাৰৰ বাবে মাতিব। তাৰ পিছত এই পদবীৰ বাবে আপুনি শাৰীৰিকভাৱে সুস্থ আৰু উপযুক্ত হয়নে চাবলৈ আপোনাৰ ডাক্তৰী পৰীক্ষা হ'ব। তাৰ পিছতহে চূড়ান্ত বাছনি হ'ব।

আই পি এছ (IPS) বিষয়াসকলৰ নিযুক্তি কেন্দ্ৰীয় স্তৰত হয় আৰু পদবীবোৰ অতিৰিক্ত বা সহ-অধীক্ষক বা আৰক্ষী অধীক্ষক হিচাপে হয়।

**৮. আই পি এছ (IPS) মানে কি?**

ভাৰতীয় আৰক্ষী সেৱা বা Indian Police Service-ক চমুকৈ IPS বুলি কোৱা হয়। ভাৰত চৰকাৰৰ সদৌ ভাৰতীয় সেৱা তিনিটাৰ অন্যতম এটা হ'ল ভাৰতীয় আৰক্ষী সেৱা। আন দুটা হ'ল ভাৰতীয় প্ৰশাসনিক সেৱা Indian Administrative Service-IAS) আৰু ভাৰতীয় বন সেৱা (Indian Forest Service-IFS)। এইটো এটা সাধাৰণ জোঁট। ইয়াৰপৰাই ভাৰতৰ বিভিন্ন ঠাইত আৰক্ষী বিষয়াসকলক উচ্চ পদত নিযুক্তি দিয়া হয়।

**৯. ভাৰতীয় আৰক্ষী সেৱাত মই কেনেদৰে যোগ দিব পাৰোঁ?**




প্ৰথমতে আপুনি ভাৰতীয় লোকসেৱা আয়োগে অনুষ্ঠিত কৰা এটা প্ৰাৰম্ভিক পৰীক্ষাত বহিব লাগিব। এই পৰীক্ষা অনুষ্ঠিত হোৱা তাৰিখ আৰু স্থানৰ বিষয়ে সময়ে সময়ে স্থানীয় আৰু ৰাষ্ট্ৰীয় বাতৰি-কাকতত প্ৰকাশ কৰা হয়। এই প্ৰাৰম্ভিক পৰীক্ষাত উত্তীৰ্ণ হ'লে আপুনি মূল লিখিত পৰীক্ষাত বহিব পাৰে। মূল লিখিত পৰীক্ষাত উত্তীৰ্ণ হ'লে এখন কমিটীয়ে আপোনাৰ সাক্ষাৎকাৰ ল'ব। আপুনি বাছনি প্ৰক্ৰিয়াত উত্তীৰ্ণ হ'লে বৈদেশিক সেৱা, প্ৰশাসনিক সেৱা, আৰক্ষী, বন বা ৰাজহ সেৱাৰ ভিতৰত কোনটো সেৱাত আপুনি যোগদান কৰিব বিচাৰে আপোনাক সুধিব। আপুনি যদি খুব ভাল নম্বৰ পায়, তেতিয়াহে আপুনি আপোনাৰ পচন্দৰ সেৱাত যোগদান কৰিবলৈ সুবিধা পাব। কাৰণ বুদ্ধিমত্তাৰ ভিত্তিতহে বিভিন্ন প্ৰশাসনিক সেৱাসমূহ বিতৰণ কৰা হয়।

**১০. ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া হিচাপে মই কি প্ৰশিক্ষণ পাম?**

ভাৰতীয় আৰক্ষী সেৱাত আপুনি প্ৰথমতে মুছৌৰিত অৱস্থিত লাল বাহাদুৰ শাস্ত্ৰী একাডেমী অব্ এড্‌মিনিষ্ট্ৰেছন্ (Lal Bahadur Shastri Academy of Administration)-ত এটা বুনিয়াদী প্ৰশিক্ষণ পাব। ইয়াৰ পিছত হায়দৰাবাদত থকা নেশ্যনেল পুলিচ একাডেমী (National Police Academy)-ত এটা মৌলিক প্ৰশিক্ষণ ল'ব লাগিব।

**১১. অন্যান্য বিষয়াসকলে কি প্ৰশিক্ষণ লাভ কৰে?**

অন্যান্য বিষয়াসকলে মুক্ত আকাশৰ তলত শাৰীৰিক প্ৰশিক্ষণ, অস্ত্ৰ ব্যৱহাৰৰ প্ৰশিক্ষণ, ফাৰ্ষ্ট এইড, সাম্প্ৰদায়িক সংঘৰ্ষ নিয়ন্ত্ৰণ আৰু অস্ত্ৰবিহীন বিৰোধৰ প্ৰশিক্ষণ পায়। বিভিন্ন অপৰাধ সম্বন্ধীয় আইন আৰু কাৰ্যপদ্ধতি, অনুসন্ধানৰ কৌশল, আৰু মানুহৰ সমাগমক নিয়ন্ত্ৰণ আৰু তেওঁলোকে সন্মুখীন হোৱা বিভিন্ন ধৰণৰ পৰিস্থিতিৰ লগত মোকাবিলা কৰিবলৈ শ্ৰেণীকোঠাৰ প্ৰশিক্ষণো পায়।

**১২. আমাৰ দেশত কিমান আৰক্ষী থানা (Police Station) আছে?**

২০১৪ বৰ্ষৰ জানুৱাৰী মাহৰ হিচাপ অনুযায়ী ভাৰতবৰ্ষত সৰ্বমুঠ ১৪,৬১১ খন আৰক্ষী থানা আছে। ইয়াৰ ভিতৰত ৫১৮ খন মহিলা আৰক্ষী থানাও আছে।

**১৩. আমাৰ বাৰু যথেষ্ট সংখ্যক আৰক্ষী বিষয়া আছেনে?**

নাই। ৰাষ্ট্ৰসংঘৰ মান মতে প্ৰতি ১,০০,০০০ লোকৰ বিপৰীতে ২২২ গৰাকী আৰক্ষী থাকিব লাগে। কিন্তু ভাৰতত ২০১৪ বৰ্ষৰ জানুৱাৰী মাহৰ হিচাপ অনুযায়ী প্ৰতি ১,০০,০০০ জনসংখ্যাৰ বিপৰীতে ১৮৫.৩ গৰাকী আৰক্ষী আছে। বহুতো আৰক্ষী বিষয়াৰ পদ খালি আছে। যদিও অনুমোদিত আৰক্ষীৰ সংখ্যা ২২,২৮৩,৬৪৬ আচলতে ১,৭২২,৭৮৬ আৰক্ষীহে কৰ্তব্যত নিয়োজিত হৈ আছে। অৰ্থাৎ অনুমোদনতকৈ প্ৰায় ২৪.৫৬% কম। কিন্তু ইয়ে প্ৰকৃত ছবিখন ভালদৰে প্ৰকাশ নকৰে। কাৰণ ডাঙৰ মহানগৰবোৰত সৰু নগৰবোৰতকৈ বেছি আৰক্ষী নিয়োজিত হৈ আছে। বহু আৰক্ষী বিষয়া আকৌ খুব কমসংখ্যক বৰ গুৰুত্বপূৰ্ণ লোকক সুৰক্ষা প্ৰদানত নিয়োজিত হৈ আছে। প্ৰশাসনিক আৰু যান-বাহন নিয়ন্ত্ৰণৰ দায়িত্বতো বহু আৰক্ষী নিয়োজিত হৈ আছে। ফলত অপৰাধ নিয়ন্ত্ৰণ, চিনাক্তকৰণ আৰু সামগ্ৰিক আইন-শৃংখলা বৰ্তাই ৰাখিবলৈ নিয়োজিত আৰক্ষীৰ সংখ্যা প্ৰয়োজনতকৈ বহুত কম।

**১৪. আৰক্ষী বাহিনীত মহিলা বিষয়া আছেনে?**

আছে, কিন্তু এওঁলোক সৰ্বমুঠ আৰক্ষী কৰ্মচাৰীৰ ৬.১১ ল্লখযোগ্য যে, তামিলনাডুত পুলিচ বিভাগত আন সকলো ৰাজ্যতকৈ অধিক মহিলা আৰক্ষী আছে।




**১৫. মহিলা আৰক্ষী বিষয়াসকলৰ দায়িত্ববোৰ পৃথক নেকি ?**

নহয়। নীতি-নিয়ম আৰু আইন অনুসৰি মহিলা আৰক্ষীসকলে পুৰুষৰ দৰে একে কাম কৰিব লাগে। কিন্তু মাথোঁ মহিলাহে মহিলা আৰক্ষী থানাত নিয়োজিত হয়।

**১৬. আৰক্ষী বাহিনীত বিশেষ সংৰক্ষণ বা কোটা আছে নেকি ?**


হয় আছে। প্ৰত্যেক ৰাজ্যত অনুসূচিত জাতি (২০১৪ চনৰ জানুৱাৰীত ওলোৱা এক হিচাপ অনুযায়ী এওঁলোকৰ সংখ্যা বৰ্তমান আৰক্ষীবলৰ ১০.৪৪%) অনুসূচিত জনজাতি (৮.২৬%) আৰু অন্যান্য পিছপৰা জনগোষ্ঠীৰ লোকক (১১.২৬%) নিযুক্তি দিবলৈ বিশেষ সংৰক্ষণ আছে। এই সম্প্ৰদায়বিলাকৰপৰা কিমান লোকক নিযুক্তি দিয়া হ'ব সেই সম্পৰ্কে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ নিজস্ব নীতি-নিয়ম আছে। কিছুমান ৰাজ্যত আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত মহিলা আৰু সংখ্যালঘুৰ বাবেও বিশেষ সংৰক্ষণ আছে।



ডি. জি. পি

**১৭. দলিত, মহিলা, মুছলমান, খ্ৰীষ্টান জনজাতি আৰু অন্যান্যসকল আৰক্ষী বাহিনীত কিয় থাকিব লাগে ?**

আৰক্ষী বাহিনী সকলো ধৰ্ম, শ্ৰেণী, জাতি আৰু জনজাতিৰ পুৰুষ আৰু মহিলাৰ এটা ভাল সংমিশ্ৰণ হোৱা দৰকাৰ। ইয়াৰ ফলত বিভিন্ন সম্প্ৰদায়ৰ আচাৰ-ব্যৱহাৰ, দৃষ্টিভঙ্গী আৰু সংস্কৃতি বুজি পোৱাত সহায়ক হয় আৰু ই পক্ষপাতিত্বমূলক বিচাৰৰপৰা হ'ব পৰা ক্ষতি নাইকিয়া কৰাত সহায় কৰে।



আই. জি. পি

**১৮. কোনো এগৰাকী ব্যক্তি আৰক্ষী বিষয়া বুলি মই কেনেদৰে গম পাম ?**


আৰক্ষী বিষয়াসকলে খাকী বা নীলা ৰঙৰ এক পৃথক ইউনিফৰ্ম পিন্ধে। ইউনিফৰ্মৰ লগত টুপি আৰু বেল্ট আৰু ইউনিফৰ্মৰ কান্ধত এপ্যলেট লগোৱা থাকে। এইবোৰে তেওঁলোকৰ পদবী আৰু তেওঁলোক কোন বাহিনীৰ সদস্য সেয়া বুজায়। আৰক্ষী বিষয়া এজনৰ বুকুত তেওঁৰ নামৰ সৰুকৈ এখন ফলক লগোৱা থাকে।



ডি. ৰাই. আই. জি. পি

**১৯. আৰক্ষী বিভাগত বিভিন্ন ধৰণৰ ৰেংক বা পদবীবোৰ কি কি ?**

আৰক্ষীৰ পদবীৰ জখলাডালৰ একেবাৰে তলত আছে কনিষ্টবল। কনিষ্টবলৰপৰা ক্ৰমান্বয়ে ওপৰলৈ পদবীবোৰ হ'ল—মুৰব্বী কনিষ্টবল (HC), সহকাৰী উপ-পৰিদৰ্শক (ASI), উপ-পৰিদৰ্শক (SI), পৰিদৰ্শক (IP), সহকাৰী/উপ-আৰক্ষী অধীক্ষক (ASP/DySP), অতিৰিক্ত আৰক্ষী অধীক্ষক (Addl SP), আৰক্ষী অধীক্ষক (SP), জ্যেষ্ঠ আৰক্ষী অধীক্ষক (SSP), উপ-আৰক্ষী মহাপৰিদৰ্শক (DIG), আৰক্ষী মহাপৰিদৰ্শক (IGP), সহ-আৰক্ষী সঞ্চালকপ্ৰধান (ADG), আৰু শেষত আৰক্ষী সঞ্চালক প্ৰধান (DGP)।



এচ. এচ. পি

**২০. নিষ্টবল (Beat Constable) মানে কি ?**

বীট কনিষ্টবল মানে আপোনাক মাৰপিট কৰিব পৰা আৰক্ষী নহয়। আচলতে কোনো আৰক্ষী বিষয়াই গ্ৰেপ্তাৰ কৰাত বাধা দিয়া বা পলাই যোৱাৰ চেষ্টা কৰা লোকৰ বাহিৰে আন কোনো লোকক মাৰধৰ কৰিব নোৱাৰে। বীট কনিষ্টবল একোজনৰ একোটা

নিৰ্দিষ্ট এলেকা বা পথ থাকে, য'ত তেওঁ সকলো ঠিকে ঠাকে আছেনে আৰু সন্দেহজনক একো যাতে নঘটে চাবলৈ পহৰা দিয়ে। কেতিয়াবা তেওঁৰ লগত অন্য আৰক্ষীও থাকে। ৰাতি পহৰা দিয়াৰ সময়ত বীট কনিষ্টবলে ডাঙৰকৈ চিঞৰি মাতি বা তেওঁৰ লাঠিডালেৰে ডাঙৰকৈ শব্দ কৰি তেওঁ পহৰাত আছে বুলি বুজায়।

**২১. সকলো আৰক্ষী বিষয়াই সকলোধৰণৰ কাম কৰেনে?**

নকৰে। কনিষ্টবলৰপৰা আৰক্ষী সঞ্চালকপ্ৰধানলৈ সকলো আৰক্ষী বিষয়াৰ কৰ্তব্য আৰু দায়িত্ব নিৰ্দিষ্ট কৰা আছে। প্ৰত্যেক ৰাজ্যৰ আৰক্ষীৰ নিৰ্দেশিকাত (Police Manual) এই কৰ্তব্য আৰু দায়িত্ববোৰ তালিকাভুক্ত কৰা হৈছে। এজন কনিষ্ঠ বিষয়াই তেওঁৰ জ্যেষ্ঠ বিষয়াৰ বাবে নিৰ্দিষ্ট কৰা কাম কৰিব নোৱাৰে। যেনে, এজন উপ-পৰিদৰ্শকে আৰক্ষী অধীক্ষকৰ বাবে নিৰ্দিষ্ট কৰা কাম কৰিব নোৱাৰে। কিন্তু কনিষ্ঠ বিষয়াৰ বাবে নিৰ্দিষ্ট কৰা কোনো কাম এজন জ্যেষ্ঠ বিষয়ায়ো কৰিব পাৰে।

**২২. যান-বাহন নিয়ন্ত্ৰণৰ দায়িত্বত থকা আৰক্ষী বিষয়াই যান-বাহন সম্পৰ্কীয় অপৰাধৰ বাহিৰেও অন্য কোনো অপৰাধৰ বাবে মোক গ্ৰেপ্তাৰ কৰিব পাৰেনে?**

হয়, পাৰে। যান-বাহন নিয়ন্ত্ৰণৰ দায়িত্বত থকা বিষয়াগৰাকী মূলতঃ এগৰাকী আৰক্ষী বিষয়া। তেওঁক যান-বাহন নিয়ন্ত্ৰণৰ দায়িত্ব দিয়া হৈছে। যদি তেওঁ আপোনাক কিবা অপৰাধ কৰা দেখা পায়, অন্য আৰক্ষী বিষয়াৰ দৰে বা আন নাগৰিকৰ দৰে তেৰোঁ আপোনাক গ্ৰেপ্তাৰ কৰিব পাৰে।



**২৩. চি আই ডি (CID) কি ?**

CID মানে Criminal Investigation Department, অৰ্থাৎ অপৰাধ অনুসন্ধান বিভাগ। এই বিভাগক কেতিয়াবা বিশেষ শাখা বা অনুসন্ধানকাৰী শাখা বুলিও কোৱা হয়। এয়া ৰাজ্যিক আৰক্ষীৰ অনুসন্ধানকাৰী বিভাগ। গুৰুতৰ অপৰাধ, যেনে-কুট চক্ৰান্ত, প্ৰৱঞ্চনা, অপৰাধী দলৰ যুঁজ-বাগৰ আৰু যিবোৰ অপৰাধৰ আন্তঃৰাজ্যিক তাৎপৰ্য আছে, তেনে অপৰাধৰ অনুসন্ধানৰ বাবে এওঁলোকক নিয়োগ কৰা হয়।

**২৪. অপৰাধ অনুসন্ধান বিভাগ আৰক্ষীৰপৰা পৃথক বিভাগ নেকি ?**

নহয়। অপৰাধ অনুসন্ধান বিভাগৰ লোকসকলক আৰক্ষী বিষয়াসকলৰপৰাই বাছনি কৰা হয়।

**২৫. আৰক্ষী বিভাগৰ দায়িত্ব কাৰ ওপৰত ন্যস্ত থাকে ?**

প্ৰত্যেক ৰাজ্যৰ আৰক্ষী বাহিনীত এগৰাকী মুখ্য বিষয়া থাকে। তেওঁক আৰক্ষী সঞ্চালকপ্ৰধান (Director General of Police) বা চমুকৈ DGP বুলি কোৱা হয়। তেওঁ সকলোৰে ওপৰত। কিন্তু তথাপি তেওঁ চৰকাৰক প্ৰতিবেদন দিব লাগে। ৰাজ্য বা কেন্দ্ৰত গৃহ দপ্তৰৰ দায়িত্বত থকা গৃহমন্ত্ৰীগৰাকী তেওঁৰ মুৰব্বী।

**২৬. আৰক্ষী সঞ্চালক প্ৰধান গৰাকীয়ে কিয় মন্ত্ৰীক প্ৰতিবেদন দিব লাগে ?**



প্ৰত্যেক চৰকাৰৰ দায়িত্ব হ'ল আমি সকলোৰে যাতে সুৰক্ষিত আৰু নিৰাপদ অনুভৱ কৰোঁ আৰু আমাৰ নিজৰ তথা আমাৰ পৰিয়ালৰ লোকসকলৰ জীৱন তথা সম্পত্তিৰ সুৰক্ষাৰ বাবে দুঃশ্চিন্তা কৰিব নালাগে, সেয়া নিশ্চিত কৰা। চৰকাৰে এই দায়িত্ব আৰক্ষীক দিয়ে। সেয়ে আৰক্ষীয়ে কেনেদৰে তেওঁলোকে তেওঁলোকৰ দায়িত্ব পালন কৰিছে, চৰকাৰক জনাব লাগে। আনহাতে, আৰক্ষীসকল যাতে সৎ, পক্ষপাতহীন তথা দক্ষ হয় আৰু তেওঁলোকে নিজৰ ইচ্ছা অনুযায়ী নহয়, আইন মতেহে যাতে কৰ্তব্য পালন কৰে, সেইটো নিশ্চিত কৰা ৰাইজৰ প্ৰতি চৰকাৰৰ কৰ্তব্য।

**২৭. আৰক্ষী বিভাগৰ কাম-কাজৰ বাবে কোনে ধন দিয়ে ?**

আৰক্ষীসকলে সেৱা আগবঢ়োৱাৰ বাবে কৰদাতাসকলেই ধন দিয়ে। দৰমহাবোৰ ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ বাজেটৰপৰা আহে। এই বাজেটৰ ধন আহে কৰদাতাসকলৰ পকেটৰপৰা।

**২৮. আৰক্ষী বিভাগে ক'ৰপৰা ধন পায় ?**

আৰক্ষী সেৱা আগবঢ়াবৰ বাবে প্ৰত্যেক ৰাজ্যৰ একোখন আছুতীয়া বাজেট থাকে। আৰক্ষীয়ে এই বাজেটৰপৰাই ধন পায়।

**২৯. এই বাজেটত কোনে অনুমোদন দিয়ে আৰু ইয়াৰ বেছিখিনি অংশ ক'ত ব্যয় কৰা হয় ?**

ৰাজ্যৰ বিধানসভাই বাজেট নিৰ্দ্ধাৰণ কৰে। কেন্দ্ৰীয়শাসিত অঞ্চলৰ ক্ষেত্ৰত দেশৰ সংসদে বাজেট অনুমোদন কৰে। বাজেটৰ প্ৰথম খচৰা প্ৰস্তুত কৰে প্ৰশাসনিক বিভাগৰ সঞ্চালকপ্ৰধানে।

এই খচৰাখন আৰক্ষী সঞ্চালকপ্ৰধানৰ অনুমোদনৰ বাবে পঠিওৱা হয়। তাৰপৰা এইখন গৃহ দপ্তৰলৈ পঠিয়ায়। তাৰ পিছত বিত্ত মন্ত্ৰালয়ে ইয়াক অনুমোদন জনাই কেবিনেটলৈ পঠিয়ায়। কেবিনেটে ইয়াক ৰাজ্যিক বাজেটৰ অংশ হিচাপে অনুমোদন জনোৱাৰ পিছত আলোচনাৰ বাবে বিধানসভালৈ পঠিওৱা হয়। বিধানসভাত আলোচনা হোৱাৰ পিছত বছৰটোৰ বাবে আৰক্ষী বাজেট চূড়ান্ত হয়। ৰাজ্যৰ বাজেটত আৰক্ষীৰ বাবে অনুমোদিত ধনৰ অধিক অংশই ব্যয় হয় আৰক্ষীসকলক দৰমহা দিওঁতে। বাকীখিনি ধন ব্যয় হয় প্ৰশিক্ষণ, অনুসন্ধান, আন্তঃগাঁথনিৰ উন্নয়ন, গৃহ নিৰ্মাণ ইত্যাদি শিতানত।

**৩০. আৰক্ষী বিভাগে পোৱা ধনখিনি নিয়ম অনুসৰি ব্যয় হৈছেনে নাই আমি কেনেদৰে গম পাম?**

নিয়ন্ত্ৰণ আৰু মহালেখা পৰীক্ষকে (Comptroller and Auditor General-CAG) আৰক্ষী বিভাগৰ ধনৰ লেন-দেনৰ বছৰেকীয়া হিচাপ পৰীক্ষা কৰে। এই হিচাপবোৰ সদন আৰু ৰাজ্যৰ বিধানসভাত দাখিল কৰা হয়। এবাৰ পৰীক্ষা কৰা হোৱাৰ পিছত এইবোৰ গৃহ/আৰক্ষী বিভাগৰ ৱেব ছাইট অথবা সদনৰ গ্ৰন্থাগাৰত পোৱা যায়। আৰক্ষীৰ বছেৰেকীয়া ব্যয় জানিবলৈ আপুনি তথ্য জনাৰ অধিকাৰ আইনো ব্যৱহাৰ কৰিব পাৰে।




যিহেতু কৰদাতাৰ ধন, অৰ্থাৎ আপোনাৰ ধন ব্যৱহাৰ কৰি আৰক্ষীয়ে তেওঁলোকৰ কাম কৰিছে, সেয়ে এই ধনৰ সঠিক ব্যয় নিশ্চিত কৰিবলৈ আপুনি আগ্ৰহী হোৱা উচিত।

**৩১. কি আইনে আৰক্ষীক নিয়ন্ত্ৰণ কৰে?**

১৮৬১ চনৰ আৰক্ষী আইনখনেই অধিকসংখ্যক ৰাজ্যত আৰক্ষীক নিয়ন্ত্ৰণ কৰে। কেইখনমান ৰাজ্যৰ নিজস্ব আৰক্ষী আইন আছে। কিন্তু এই সকলো আৰক্ষী আইন পুৰণি আইনখনৰ আৰ্হিৰে প্ৰস্তুত কৰা হৈছে। অতি সম্প্ৰতি কিছুমান ৰাজ্যই তেওঁলোকৰ আইনবোৰৰ সংশোধন কৰিছে আৰু নতুন আৰক্ষী আইন প্ৰস্তুত কৰিছে। ইয়াৰ বাহিৰেও অন্যান্য ফৌজদাৰী আইন, যেনে CrPC তথা IPC আৰু অন্যান্য স্থানীয় আইনে আৰক্ষীৰ কাম আৰু কাৰ্যপ্ৰণালীক নিয়ন্ত্ৰণ কৰে।

**৩২. আৰক্ষী আইন এখনে কি কয়?**

আৰক্ষী আইনবোৰত সাধাৰণতে আৰক্ষীয়ে কি কৰিব পাৰে আৰু কি কৰিব নোৱাৰে; আৰক্ষী বাহিনীক কেনেদৰে সংগঠিত কৰা হ'ব, কি কি পদবী থাকিব, কোনে বাহিনীটো তদাৰক কৰিব, কোনে আৰক্ষীসকলক নিযুক্তি দিব, দোষণীয় কাম কৰাৰ বাবে আৰক্ষীসকলে কেনেধৰণৰ শাস্তি বা অনুশাসনমূলক কাৰ্যৰ সন্মুখীন হ'ব লাগিব আদি নিৰ্দেশনা থাকে। ইয়াত ৰাইজে মানি চলিব লগা কিছুমান নিয়মৰো উল্লেখ আছে।

**৩৩. আৰক্ষী আইনত কিয় ৰাইজৰ সাধাৰণ অপকৰ্ম কিছুমানো অন্তৰ্ভুক্ত কৰা হৈছে?**

কিছুমান আইনবিৰোধী কাৰ্য ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে, যাতে ৰাস্তা আৰু ৰাজহুৱা স্থানসমূহৰ পৰিচ্ছন্নতা, শৃংখলাবদ্ধতা, সুৰক্ষা, মাৰ্জিত পৰিৱেশ আৰু অনাময় নিশ্চিত কৰিব পৰা যায়। উদাহৰণ স্বৰূপে, জীৱ-জন্তুক ৰাস্তাত ঘূৰিবলৈ এৰি দিয়া, মাংসৰ বাবে সিহঁতক বধ কৰা, অথবা সিহঁতৰ প্ৰতি নিষ্ঠুৰ হ'লে আৰক্ষীয়ে ততালিকে তেনে লোকক গ্ৰেপ্তাৰ কৰিব পাৰে। যিসকল লোকে ৰাস্তাত হেঙাৰ দিয়ে, ৰাস্তা লেতেৰা কৰে, অনুমতিবিহীনভাৱে ৰাস্তাত দোকান দিয়ে, যিসকল লোক অমাৰ্জিত, মাতাল বা সংঘৰ্ষত লিপ্ত হয় অথবা কুঁৱা আদিৰ দৰে বিপজ্জনক ঠাই বেৰা আদিৰে আৱৰি সুৰক্ষিত কৰি ৰখাত গুৰুত্ব প্ৰদান নকৰে, তেনে লোকক আৰক্ষীয়ে ততালিকে গ্ৰেপ্তাৰ কৰিব পাৰে।

**আইনৰ পক্ষত**



### ৩৪. 'আইনৰ শাসন' মানে কি ?

ইয়াৰ অৰ্থ হ'ল আমি সকলোৱে, সৰু বা ডাঙৰ, ধনী বা দুখীয়া, পুৰুষ বা মহিলা, আনকি চৰকাৰ আৰু আৰক্ষীৰ দৰে চৰকাৰী কৰ্মচাৰীয়েও আইন মানিব লাগে আৰু আমাৰ সংবিধানৰ অধীনত আমাৰ দেশত প্ৰণীত আইন মতে চলিব লাগে। কোনো লোক আইনৰ উৰ্দ্ধত নহয়। অৰ্থাৎ ইয়াৰ অৰ্থ এইটোও যে আৰক্ষীৰ সকলো কাৰ্য আইনৰ গণ্ডীৰ ভিতৰত হ'ব লাগিব। অন্যথা আৰক্ষী আইনৰ আগত জবাবদিহি হ'ব লাগিব। ই এইটোও বুজায় যে যিবোৰ আইন প্ৰণয়ন কৰা হয়, সেইবোৰ যুক্তিযুক্ত, ন্যায়সংগত আৰু পক্ষপাতহীনভাৱে সকলোৰে ওপৰত প্ৰযোজ্য হ'ব লাগে।

### ৩৫. কোনোবা আৰক্ষী বিষয়াই কিবা অন্যায় কৰিলে তেওঁ শাস্তি পাব পাৰেনে ?

পাৰে। যদি কোনো আৰক্ষী বিষয়াই আইন ভংগ কৰে, তেনেহ'লে আন মানুহৰ দৰে তেৰোঁ শাস্তি পাব পাৰে। আচলতে, যিহেতু তেওঁক আইনৰ পৃষ্ঠপোষকতা কৰিবলৈ দায়িত্ব দিয়া হৈছিল, সেয়ে তেওঁ আইন ভংগ কৰা বাবে অধিক কঠোৰ শাস্তি পোৱা উচিত। দোষণীয় কাম কৰাৰ বাবে আৰক্ষী বিষয়া এগৰাকীক শাস্তি প্ৰদানৰ বিভিন্ন উপায় আছে। যদি তেওঁ কিবা অপৰাধ কৰে, তেনেহ'লে তেওঁক আদালতত হাজিৰ কৰাব পাৰি আৰু আন সাধাৰণ মানুহৰ দৰে তেওঁৰ বিচাৰ হ'ব পাৰে। তেওঁ যদি ৰূঢ় হয়, অভব্য আচৰণ কৰে অথবা কৰ্তব্যত গাফিলতি কৰে, তেনেহ'লে তেওঁৰ জ্যেষ্ঠ বিষয়াই শাস্তি হিচাপে তেওঁক সাৱধান বাণী শুনাব পাৰে, তেওঁৰ দৰমহা কৰ্তন কৰিব পাৰে, তেওঁৰ পদবী হ্ৰাস কৰিব পাৰে, নিলম্বিত কৰিব পাৰে অথবা অন্য ঠাইলৈ বদলি কৰিব পাৰে।



**৩৬. আৰক্ষী বিষয়াসকলে বিপজ্জনক কাম কৰে। তেওঁলোকৰ জীৱন বীমা কৰোৱা হয়নে?**

হয়, আৰক্ষী বিষয়াসকলৰ জীৱন বীমা কৰোৱা হয়। আৰক্ষী বাহিনীৰ সকলো লোকে তেওঁলোকৰ সমূহীয়া বীমাৰ বাবে অৰিহণা দিব লাগে। এই অৰিহণা তেওঁলোকৰ দৰমহাৰপৰা লোৱা হয়। কৰ্তব্যৰত অৱস্থাত যিসকল আৰক্ষীৰ মৃত্যু হয়, তেওঁলোকৰ পৰিয়ালে এককালীন ধনৰাশি এটাও পায়। আৰক্ষী বিষয়াসকলে বিপজ্জনক পৰিৱেশত কাম কৰে। বহুতেই মৃত্যুমুখত পৰে বা আঘাতপ্ৰাপ্ত হয়। এই বছৰ গড় হিচাপত ৮০০ ৰো অধিক বিষয়াৰ কৰ্তব্যৰত অৱস্থাত মৃত্যু হৈছে। যোৱা দশকত এই পৰিসংখ্যা অধিক বেয়া আছিল। যোৱা দশকত প্ৰতি বছৰে গড় হিচাপত এহেজাৰৰো অধিক আৰক্ষী বিষয়াই কৰ্তব্যৰত অৱস্থাত মৃত্যুবৰণ কৰিছিল। এওঁলোকৰ অধিকসংখ্যকেই কনিষ্টবল।

**৩৭. মোৰ নিজৰ সুৰক্ষাৰ বাবে মই এজন আৰক্ষীক ভাৰাৗলৈ ল'ব পাৰোঁনে?**

আচলতে, যদি আপোনাৰ জীৱনলৈ ভাবুকি আহিছে, তেনেহ'লে আৰক্ষীক ভাৰালৈ ল'ব পাৰে। কেতিয়াবা চৰকাৰে আপোনাৰ বাবে নিৰাপত্তাৰ ব্যৱস্থা কৰে আৰু কেতিয়াবা আপোনাৰ নিৰাপত্তাৰ বাবে আপুনি ধন দিব লাগে। আৰক্ষী আইন ১৮৬১ অনুসৰি যদি এটা এলেকাত আপোনাক অতিৰিক্ত আৰক্ষী লাগে আৰু যদি কৰ্তৃপক্ষই আপোনাৰ আবেদন মানি সীমিত সময়ৰ বাবে অতিৰিক্ত আৰক্ষী বাহিনীৰ ব্যৱস্থা কৰে, তেনেহ'লে তাৰ বাবে আপুনি ধন দিব লাগিব। যেনে, ডাঙৰ বিয়া বা অন্য কোনো ব্যক্তিগত উৎসৱৰ বাবে আপোনাৰ ধনৰ বিনিময়ত আৰক্ষীয়ে সেই এলেকাত অতিৰিক্ত আৰক্ষীৰ লোক নিয়োগ কৰিব পাৰে। আনহাতে কোনো এটা এলেকা যদি অপৰাধপ্ৰৱণ হয় বা তাত ৰাজহুৱা সমদল বা উৎসৱ হয়, তাৰ বাবে অতিৰিক্ত আৰক্ষীৰ ব্যৱস্থা কৰা আৰক্ষী বিভাগৰ দায়িত্ব আৰু তাৰ বাবে আপুনি ধন দিয়াৰ প্ৰশ্ন নুঠে।

**আৰক্ষীৰ কাম কেতিয়াও শেষ নহয়**



**৩৮. আৰক্ষী বিষয়া এজনে সকলো সময়তে কৰ্তব্যৰত হৈ থাকে নেকি ?**

হয়, আৰক্ষী আইন ১৮৬১-এ স্পষ্ট কৰি দিছে যে আৰক্ষী বিষয়া এগৰাকীক 'সকলো সময়তে কৰ্তব্যৰত বুলি গণ্য কৰা হয়।' কিন্তু তাৰমানে এইটো নহয় যে তেওঁলোকে কোনো সময়তে জিৰণি ল'ব নোৱাৰে। ইয়াৰ অৰ্থ হ'ল ইউনিফৰ্ম পিন্ধা বা নিপিন্ধা অৱস্থাত তেওঁ য'তেই নাথাকক কিয়, আইন প্ৰতিষ্ঠাৰ বাবে তেওঁ তেওঁৰ কৰ্তব্য কৰিব লাগিব। যদি তেওঁ কোনো অপৰাধ হোৱা দেখা পায় বা কোনোবাই তেওঁক সহায়ৰ বাবে মাতে, 'মই এতিয়া কৰ্তব্যৰত নহয়' বুলি তেওঁ ক'ব নোৱাৰে।

**৩৯. আৰক্ষী বিষয়া এজনে তেওঁৰ ওপৰৰ বিষয়া এজনে দিয়া বা অন্য কোনো লোকে, যিয়ে তেনে নিৰ্দেশ দিব পাৰে, যেনে—উপায়ুক্ত বা মন্ত্ৰীয়ে দিয়া সকলো নিৰ্দেশ পালন কৰিব লাগে নেকি ?**

নালাগে। আৰক্ষী বিষয়াসকলে মাথোঁ আইনসংগত নিৰ্দেশবোৰহে পালন কৰিব লাগে। তেওঁ যদি কিবা দোষণীয় কাম কৰে আৰু সেয়া তেওঁ কাৰোবাৰ নিৰ্দেশত কৰিলেও সেই দোষণীয় কামৰ বাবে তেৰোঁ দায়ী হ'ব। সেই দোষণীয় বা বে-আইনী কাম তেওঁৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষই কৰিবলৈ নিৰ্দেশ দিছিল বুলি কৈ তেওঁ তেওঁৰ দোষৰপৰা ৰেহাই নাপায়।

**৪০. আৰক্ষীসকলে ৰাজহুৱা যান-বাহনত টিকটবিহীনভাৱে ভ্ৰমণ কৰিবলৈ অথবা বজাৰৰপৰা বিনামূল্যে বস্তু কিনিবলৈ অনুমতি পায় নেকি ?**

কিছুমান ঠাইত কৰ্তব্যৰত আৰক্ষী বিষয়াক ৰাজহুৱা যান-বাহনত ভ্ৰমণ কৰিবলৈ পাছ দিয়া হয়। তাৰ বাহিৰে অন্য কোনো কাৰণত কোনো আৰক্ষী বিষয়াৰ ৰাজহুৱা বাহনত বিনামূলীয়া ভ্ৰমণৰ অনুমতি নাই।



একেদৰে বজাৰতো কোনো আৰক্ষী বিষয়াই তেওঁ আৰক্ষী হোৱা বাবে বিনামূলীয়াকৈ দোকানৰপৰা বস্তু নিব নোৱাৰে। অন্য সকলো নাগৰিকৰ দৰে তেৰোঁ তেওঁ কিনা বস্তুৰ বাবে দাম দিব লাগে।

**৪১. আৰক্ষী বিষয়াৰ সকলো নিৰ্দেশ মই শুনিব লাগে নেকি ?**

তেওঁৰ কৰ্তব্যৰ লগত সম্পৰ্ক থকা আইনসংগত নিৰ্দেশ হ'লে, সেয়া আপুনি মানিব লাগিব। প্ৰকৃততে, সকলোৱে আৰক্ষীক তেওঁৰ কৰ্তব্য পালনত সহায় কৰিব লাগে, বিশেষকৈ যেতিয়া তেওঁ কাজিয়া এখন বন্ধ কৰিবলৈ চেষ্টা কৰে বা অপৰাধ এটা হোৱাত বাধা দিবলৈ চেষ্টা কৰে বা কোনোবাই তেওঁৰ জিম্মাৰপৰা পলাই যোৱাৰ চেষ্টা কৰাত বাধা দিয়ে। আচলতে, যদি কোনো অপৰাধৰ বিষয়ে আপোনাৰ হাতত কিবা তথ্য আছে, সেই তথ্য আৰক্ষীক জনোৱাটো আপোনাৰ কৰ্তব্য। অপৰাধী বুলি ঘোষণা কৰা কোনো লোকক আশ্ৰয় নিদিয়াটোও আপোনাৰ কৰ্তব্য। কোনো এটা কেছৰ বিষয়ে যদি আপুনি কিবা জানে বা কিবা দেখিছে আদালতত তাৰ সাক্ষ্য দিয়াটোও আপোনাৰ এটা কৰ্তব্য।

**৪২. কোনো আৰক্ষী বিষয়াই তেওঁৰ লগত ক'ৰবালৈ যাবলৈ মোক লগ ধৰিলে মই যাব লাগেনে ?**

নালাগে। কিন্তু যদি আৰক্ষী বিষয়াগৰাকীয়ে তেওঁৰ কৰ্তব্যৰ অংশ হিচাপে কৰা কোনো কাম, যেনে—কাৰোবাক গ্ৰেপ্তাৰ কৰা, সম্পত্তি বাজেয়াপ্ত কৰা বা কোনো অপৰাধ সংঘটিত হোৱা ঠাইৰ পৰীক্ষা কৰা আদি কামত তেওঁৰ লগত গৈ তেওঁ কৰা কামৰ সাক্ষী হ'বলৈ আপোনাক অনুৰোধ কৰে, তেনেহ'লে আপুনি তেওঁৰ লগত গৈ সহায় কৰা উচিত।



পৰম্পৰাগতভাৱে ইয়াকে ‘পঞ্চ’ হোৱা বুলি কয়। ‘পঞ্চ’ মানে যিয়ে সেই সময়ত তেওঁ কি দেখিছিল স্বাধীনভাৱে আদালতৰ আগত ক’ব পাৰে।

**৪৩. কোনো আৰক্ষী বিষয়াই মোক আৰক্ষী থানালৈ মাতিলে মই তালৈ যাব লাগে নেকি?**

নালাগে। আৰক্ষীৰ কামত সহযোগ কৰা ভাল কথা। কিন্তু যেতিয়ালৈ আৰক্ষী বিষয়াই আনুষ্ঠানিকভাৱে আপোনাক গ্ৰেপ্তাৰ নকৰে, তেতিয়ালৈকে থানালৈ যোৱা আৱশ্যক নহয়। আনহাতে যদি তেওঁ আপোনাক কিবা সুধিব বিচাৰে বা কোনো অপৰাধৰ অনুসন্ধান কৰিব বিচাৰে, তেনেহ’লে তেওঁ আপোনালৈ লিখিত ছমন জাৰি কৰিব। এইখিনি নকৰালৈকে থানালৈ যাবলৈ আপোনাক কোনেও জোৰ কৰিব নোৱাৰে। মহিলা বা ১৫ বছৰৰ তলৰ শিশুৰ ক্ষেত্ৰত আৰক্ষীয়ে তেওঁলোকক তেওঁলোকৰ ঘৰতহে প্ৰশ্ন সুধিব পাৰিব।

**৪৪. আৰক্ষী বিষয়াই সোধা সকলো প্ৰশ্নৰ উত্তৰ মই দিব লাগেনে?**

হয়। আৰক্ষীয়ে সোধা প্ৰশ্নবোৰৰ উত্তৰ আৰু আপুনি যদি কিবা তথ্য জানে সেয়া সততাৰে আৰু স্পষ্টকৈ আৰক্ষীক জনোৱা ভাল। আপুনি যদি কিবা নাজানে, তেনেহ’লে আৰক্ষীয়ে জোৰ কৰি আপোনাৰ মুখৰপৰা কথা উলিয়াব নোৱাৰে বা আপোনাৰপৰা বিবৃতি ল’ব নোৱাৰে। আৰক্ষীয়ে আপোনাক প্ৰশ্ন সোধাৰ সময়ত অন্য কোনো ব্যক্তি আপোনাৰ লগত থকাটো নিশ্চিত কৰা ভাল।



**৪৫. বিপদৰ সময়ত মোক সহায় কৰা আৰক্ষী বিষয়াৰ কৰ্তব্য হয়নে ?**

হয়। ১৯৮৫ চনত, গৃহ মন্ত্ৰালয়ে আৰক্ষীৰ বাবে আচৰণ বিধিৰ নিৰ্দেশাৱলী জাৰি কৰিছিল। সকলো ৰাজ্য তথা কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুখ্য সচিবলৈ আৰু কেন্দ্ৰীয় আৰক্ষী সংগঠনসমূহৰ মুৰব্বীসকললৈ এই নিৰ্দেশাৱলী পঠিওৱা হৈছিল।



এই আচৰণবিধিয়ে ব্যক্তিৰ সামাজিক স্থিতি বা সম্পদৰ পৰিমাণ নিৰ্বিশেষে সকলো লোকলৈ সকলোধৰণৰ সাহায্য আগবঢ়াবলৈ আৰক্ষীক বাধ্য কৰায়। কোনোধৰণৰ ভয় বা পক্ষপাতিত্বৰপৰা মুক্ত হৈ সকলো লোককে নিৰাপত্তা প্ৰদান কৰা তেওঁলোকৰ সাধাৰণ কৰ্তব্য। সাধাৰণ মানুহৰ কল্যাণৰ কথা মনত ৰখা, তেওঁলোকৰ প্ৰতি সহানুভূতিশীল হোৱা আৰু ব্যক্তিগত সেৱা তথা বন্ধুত্বৰ হাত আগবঢ়াবলৈ সাজু হৈ থকা তেওঁলোকৰ সাধাৰণ কৰ্তব্যৰ অন্তৰ্ভুক্ত।

**৪৬. মোৰ পৰিয়ালত কিবা সমস্যা হ'লে সহায়ৰ বাবে মই আৰক্ষীক মাতিব পাৰোঁনে ?**

সেইটো সমস্যাটোৰ ওপৰত নিৰ্ভৰ কৰে। যি ঘটিছে সেয়া যদি এক অপৰাধ হয়, যেনে—পৰিয়ালত হিংসা, মহিলা বা শিশুক বেয়াকৈ মাৰ-ধৰ কৰা অথবা নিকট আত্মীয়ৰ মাজত নিষিদ্ধ যৌন সম্পৰ্ক অথবা মাটি, ঘৰ আদিত অনধিকাৰ প্ৰৱেশ বা অবৈধভাৱে ক্ষতি সাধন কৰা আদিৰ ক্ষেত্ৰত আৰক্ষীয়ে আপোনাক নিশ্চয় সহায় কৰিব লাগিব। এনেক্ষেত্ৰত 'এয়া ব্যক্তিগত ঘটনা' বুলি কৈ আপোনাক ওভোটাই পঠিয়াব নোৱাৰে। কিন্তু যদি প্ৰাপ্তবয়স্ক সন্তান অবাধ্য হয়, যেনে—বিয়া হ'বৰ বাবে পলাই যায়, তেনেক্ষেত্ৰত তেওঁলোকক বিচাৰি যোৱা বা তেওঁলোকক ঘূৰি আহিবলৈ বাধ্য কৰোৱা আৰক্ষীৰ কাম নহয়। সেয়া সম্পূৰ্ণৰূপে পৰিয়ালৰ কথা।

**৪৭. যদি কোনো আৰক্ষী বিষয়াই সহায় নকৰে বা কোনো আৰক্ষী বিষয়া উপস্থিত নাথাকিলে ৰাইজে এজন চোৰ বা অপকৰ্মকাৰীক ধৰিব আৰু শাস্তি দিব পাৰেনে ?**

পাৰে আৰু নোৱাৰেও। আপোনালোকে 'নাগৰিকৰদ্বাৰা গ্ৰেপ্তাৰ' কৰিব পাৰে আৰু অপকৰ্মকাৰীজনক ধৰি নি ওচৰৰ থানাত জমা দিব পাৰে। বহু, সিমানেই আপোনালোক কৰিব পাৰে। কিন্তু আপুনি অপকৰ্মকাৰীজনক মাৰধৰ কৰিব নোৱাৰে বা তেনে কাম কৰা মানুহৰ দলটোত যোগ দিব নোৱাৰে। ৰাইজৰ নিজকে সুৰক্ষা দিয়াৰ অধিকাৰ আছে, যাক কোৱা হয় 'প্ৰতিৰক্ষাৰ অধিকাৰ'। কিন্তু সেই অধিকাৰ যথোচিতভাৱে সাব্যস্ত কৰিব লাগিব। এই অধিকাৰ সাব্যস্ত কৰোঁতে একপক্ষীয় মাৰধৰ বা জঘন্য অপমান কৰিব নোৱাৰিব। এনে কাম কৰিবলৈ অনুমতি বা উৎসাহ দিয়া অথবা তেনে কামত যোগ দিয়া আৰক্ষী বিষয়াই অনুশাসনমূলক বা ফৌজদাৰী অভিযোগৰ সন্মুখীন হ'ব লাগে।

**৪৮. আৰক্ষীয়ে মোক সহায় নকৰিলে মই কি কৰিব পাৰোঁ ?**

ইচ্ছাকৃতভাৱে কৰ্তব্যত গাফিলতি কৰিলে এগৰাকী আৰক্ষী বিষয়া কাৰাদণ্ডৰে দণ্ডিত হ'ব লাগে। ইচ্ছাকৃতভাৱে কোনো আৰক্ষী বিষয়াই আপোনাক সহায় নকৰিলে আৰু তাৰ বাবে আপোনাৰ ক্ষতি হ'লে এই বিষয়ে আপুনি তেওঁৰ জ্যেষ্ঠ বিষয়াক অভিযোগ দিব পাৰে। এনে ক্ষেত্ৰত তেওঁ কৰ্তব্যত অৱহেলা কৰাৰ দোষত দোষী বুলি চিহ্নিত হ'ব পাৰে।

**৪৯. আৰক্ষীসকলে নিজৰ যি ইচ্ছা তাকে কৰিব পাৰে নেকি ?**

নোৱাৰে। তেওঁলোকে আইনে অনুমতি দিয়া কামহে মাথোঁ কৰিব পাৰে। বাস্তৱতে, তেওঁলোক বহুতো কঠোৰ নীতি-নিয়মৰদ্বাৰা নিয়ন্ত্রিত হয়। এইবোৰৰ ভিতৰত আছে তেওঁলোকৰ নিজৰ নীতি-নিয়ম, ফৌজদাৰী আচৰণবিধিয়ে নিৰ্দিষ্ট কৰা কাৰ্যপদ্ধতি, উচ্চতম ন্যায়ালয়ে দিয়া নিৰ্দেশ আৰু মানৱ অধিকাৰ আয়োগে দিয়া নিৰ্দেশাৱলী।

**৫০. কিন্তু যদি তেওঁলোকে সেইবোৰ নামানে ?**

ঘটনাটো কিমান গুৰুতৰ তাৰ ওপৰত নিৰ্ভৰ কৰি আপুনি তেওঁৰ জ্যেষ্ঠ বিষয়া বা দণ্ডাধীশৰ আগত অভিযোগ দাখিল কৰিব পাৰে। অভিযোগ সদায় লিখিতভাৱে প্ৰদান কৰা আৰু তাৰ বাবে এখনি প্ৰাপ্তি ৰচিদ সংগ্ৰহ কৰা ভাল।

**৫১. কিহৰ বিষয়ে মই অভিযোগ দিব পাৰোঁ ?**

এগৰাকী আৰক্ষী বিষয়াই কৰা যিকোনো ভুল কামৰ বাবে আপুনি অভিযোগ দিব পাৰে। কাৰণ তেওঁ ৰাইজৰ কৰ্মচাৰী আৰু সকলো সময়তে তেওঁ তেওঁৰ কৰ্তব্য কৰিবলৈ বাধ্য। তেওঁ কেতিয়াও কৰ্তব্যত গাফিলতি বা পলম কৰিব নোৱাৰে।




**৫২. কিন্তু যদি আৰক্ষী বিষয়াগৰাকীয়ে মোৰ প্ৰতি অমাৰ্জিত আৰু অপমানজনক আচৰণ কৰে ?**

যদি সেয়া কৰ্তব্য বা অনুশাসন অমান্য কৰা ঘটনা হয়, তেনেহ'লে আপুনি তেওঁৰ জ্যেষ্ঠ বিষয়াক অভিযোগ দাখিল কৰিব পাৰে। যদি ঘটনাটো ইয়াতকৈ বেছি গুৰুতৰ হয় বা এটা অপৰাধৰ সমকক্ষ হয়, তেনেহ'লে আপুনি থানাত তেওঁৰ বিৰুদ্ধে গোচৰ এটা ৰুজু কৰিব পাৰে অথবা স্থানীয় ন্যায়িক দণ্ডাধীশৰ ওচৰত অভিযোগ দাখিল কৰিব পাৰে।

**৫৩. কিন্তু যদি মই স্থানীয় থানাত অভিযোগ কৰোঁ আৰু তেওঁলোকে তেওঁলোকৰ বিষয়াৰ বিৰুদ্ধে অভিযোগ গ্ৰহণ কৰিবলৈ অমান্তি হয় ?**

এনেকুৱা প্ৰায়ে হোৱা দেখা যায়। কিন্তু সেইটোৱে শেষ কথা নহয়। ৰূঢ় বা অমাৰ্জিত আচৰণৰ বাবে বা কৰ্তব্যত কৰা গাফিলতিৰ বাবে বা আৰক্ষীৰ ক্ষমতাৰ অপব্যৱহাৰৰ বাবে আৰক্ষী মুৰব্বীক অভিযোগ দাখিল কৰিব পাৰে অথবা ঘটনাটো অপৰাধৰ সমকক্ষ হ'লে আপোনাৰ ওচৰৰ দণ্ডাধীশৰ ওচৰত অভিযোগ দাখিল কৰিব পাৰে।

**৫৪. কিন্তু কথাবোৰ আদালতকৈ নিয়া বৰ অসুবিধাজনক আৰু আদালতত সময়ো বহুত লাগে।**

আৰক্ষীৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিবলৈ আৰু অভিযোগ দাখিলৰ প্ৰক্ৰিয়া সহজ আৰু খৰতকীয়া কৰিবৰ বাবে কিছুমান ৰাজ্যত আৰক্ষী অভিযোগ কৰ্তৃপক্ষ স্থাপন কৰা হৈছে। এই বিশেষ মণ্ডলীবোৰে আৰক্ষীৰ বিৰুদ্ধে ৰাইজৰ অভিযোগবোৰহে মাথোঁ চোৱাচিতা কৰে। ইয়াৰ উপৰি আৰক্ষীৰ বিৰুদ্ধে কিবা অভিযোগ থাকিলে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্তৰত প্ৰতিষ্ঠিত অন্য বহু আয়োগৰ ওচৰলৈ যাব পাৰে।

এইবোৰৰ ভিতৰত আছে, ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ আৰু ৰাজ্যিক মানৱ অধিকাৰ আয়োগ; অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি আয়োগ; ৰাষ্ট্ৰীয় মহিলা আয়োগ আৰু তেনেধৰণৰ ৰাজ্যিক আয়োগ; আৰু শিশু আয়োগ। দুৰ্নীতি সম্পৰ্কীয় ঘটনাৰ তদন্তৰ বাবে আছে কেন্দ্ৰীয় অনুসন্ধান সংস্থা (CBI), কেন্দ্ৰীয় নিৰীক্ষণ আয়োগ (Central Vigilance Commission), লোক আয়ুক্ত আৰু ৰাজ্যিক নিৰীক্ষণ বিভাগ। এই আয়োগবোৰে আপোনাৰ অভিযোগটো চাব, অনুসন্ধান কৰিব আৰু তেওঁলোকৰ ক্ষমতা অনুসৰি আৰক্ষীৰ লোকৰ বিৰুদ্ধে এজাহাৰ এখন পঞ্জীয়ন কৰিবলৈ বা ভুক্তভোগীক ক্ষতিপূৰণ দিবলৈ নিৰ্দেশ দিব পাৰে।

**৫৫. যদি মই আৰক্ষীক কিবা এটা অপৰাধৰ বিষয়ে জনাব বিচাৰোঁ, তেনেহ'লে মই কি কৰিব লাগিব ?**

চুৰি, জোৰ কৰি ঘৰত প্ৰৱেশ, যৌন আতিশয্য, আক্ৰমণ, শিশুক কৰা উৎপীড়ন, ধৰ্ষণ, অপহৰণ, মানৱ দেহৰ সৰবৰাহ আৰু আনকি সংঘৰ্ষৰ দৰে গুৰুতৰ অপৰাধৰ ক্ষেত্ৰত লগে লগে আপুনি স্থানীয় থানাৰ মুৰব্বীক এখন FIR বা এজাহাৰ দিব পাৰে আৰু তেওঁলোকে লগে লগে সেইখন লিখিতভাৱে গ্ৰহণ কৰিব লাগিব আৰু তাৰ এটা প্ৰতিলিপি আপোনাক দিব লাগিব। আনকি আপুনি আপোনাৰ অভিযোগ লৈ দণ্ডাধীশৰ ওচৰলৈও যাব পাৰে। তেওঁ সেইখন পঞ্জীয়ন কৰিব।

**৫৬. এফ আই আৰ (FIR) মানে কি ?**

First Information Report-ক চমুকৈ FIR বুলি কোৱা হয়। ইয়াকে অসমীয়াত এজাহাৰ বুলি কয়। কোনো বিচাৰযোগ্য অপকৰ্মৰ ভুক্তভোগী, সাক্ষী বা অন্য কোনো লোকে, যিয়ে এই বিষয়ে জানে তেওঁ এজাহাৰ দিব পাৰে। আপোনাৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে অনুসন্ধান চলাব আৰু তথ্যসমূহ গোটাই তাৰপৰা এটা কেছ হ'ব পাৰে নেকি সেয়া চাব।

**৫৭. যিকোনো থানাতেই মই এজাহাৰ দিব পাৰোঁ নে মাথোঁ স্থানীয় থানাতহে এজাহাৰ দিব পাৰোঁ ?**

যিকোনো থানাতে আপুনি এজাহাৰ দিব পাৰে। কিন্তু যিখন থানাৰ নিয়ন্ত্ৰণ এলেকাৰ ভিতৰত অপৰাধটো সংঘটিত হৈছে, সেইখন থানাত এজাহাৰ দাখিল কৰা বেছি ভাল। কাৰণ তেওঁলোকে বেছি সোনকালে কামত জড়িত হৈ পৰিব পাৰে। যদি আপুনি আন কোনো থানাত এজাহাৰ দিয়ে, তেওঁলোকে আপোনাৰ অভিযোগ নথিভুক্ত কৰি সংশ্লিষ্ট থানালৈ পঠিয়াবলৈ বাধ্য। তেওঁলোকৰ নিয়ন্ত্ৰণাধীন এলেকাত এই অপৰাধ সংঘটিত হোৱা নাই বুলি কৈ তেওঁলোকে আপোনাৰ অভিযোগ গ্ৰহণ কৰিবলৈ অমান্তি হ'ব নোৱাৰে।






**৫৮. মোৰ অভিযোগ গ্ৰহণ কৰিবলৈ আৰক্ষী অমান্তি হ'ব পাৰে নেকি ?**

পাৰে আৰু নোৱাৰেও। ভাৰতত অপৰাধবোৰক 'বিচাৰযোগ্য' আৰু 'বিচাৰ অযোগ্য' অপৰাধ হিচাপে ভাগ কৰা হৈছে। বিচাৰযোগ্য অপৰাধ হ'ল হত্যা, ধৰ্ষণ, সংঘৰ্ষ, ডকাইতি ইতাদি। অৰ্থাৎ যিবোৰ অপৰাধৰ ক্ষেত্ৰত আৰক্ষীয়ে প্ৰত্যক্ষভাৱে পৰ্য্যালোচনা কৰিব পাৰে, এজাহাৰ পঞ্জীয়নভুক্ত কৰিব পাৰে আৰু অনুসন্ধান আৰম্ভ কৰিব পাৰে। বিচাৰ-অযোগ্য অপৰাধবোৰ হ'ল—প্ৰতাৰণা, প্ৰৱঞ্চনা, জালিয়াতি, দ্বিবিবাহ, কম ওজনৰ বা ভেজাল বস্তু বিক্ৰী বা ৰাজহুৱাভাৱে কৰা উৎপাত ইত্যাদি। এনে অপৰাধৰ ক্ষেত্ৰত এগৰাকী দণ্ডাধীশে অভিযোগ পঞ্জীভুক্ত কৰি আৰক্ষীক অনুসন্ধানৰ বাবে নিৰ্দেশ দিয়াৰ পিছতহে অপৰাধৰ অনুসন্ধান আৰম্ভ হয়। অৰ্থাৎ যিবোৰ অপৰাধৰ ক্ষেত্ৰত তাৎক্ষণিক ব্যৱস্থা লোৱা দৰকাৰ, তেনে অপৰাধবোৰৰ অভিযোগ প্ৰত্যক্ষভাৱে আৰক্ষীক জনাব পাৰি আৰু বাকী সকলো অভিযোগ দণ্ডাধীশক জনাব লাগে। গতিকে, আৰক্ষীয়ে আপোনাৰ অভিযোগ প্ৰথাগতভাৱে গ্ৰহণ কৰিব নোৱাৰিলেও তেওঁলোকে অন্ততঃ আপোনাৰ কথা মন দি শুনিব পাৰে, তেওঁলোকৰ দিনপঞ্জীত অন্তৰ্ভুক্ত কৰিব পাৰে, ইয়াৰ চহী কৰা প্ৰতিলিপি এখন বিনামূলীয়াকৈ আপোনাক দিব পাৰে আৰু দণ্ডাধীশৰ ওচৰলৈ যাবলৈ আপোনাক উপদেশ দিব পাৰে।

**৫৯. ধৰা হ'ল, মোৰ অভিযোগটো আদালতত বিচাৰযোগ্য অপৰাধৰ বিষয়, কিন্তু থানাৰ বিষয়াই অভিযোগটো পঞ্জীভুক্ত কৰিবলৈ অমান্তি হৈছে। তেতিয়া মই কি কৰিম ?**

এনেক্ষেত্ৰত আপুনি জ্যেষ্ঠ বিষয়া/জিলা আৰক্ষী মুৰব্বী অথবা একেবাৰে ওচৰৰ ন্যায়িক দণ্ডাধীশৰ ওচৰলৈ গৈ অভিযোগ দিব পাৰে। তেওঁলোকে অভিযোগটো পঞ্জীভুক্ত কৰিব পাৰে। আপোনাৰ অভিযোগটো যে নথিভুক্ত হ'ল আৰু তাৰবাবে পৰৱৰ্তী কাৰ্যপন্থা যাতে গ্ৰহণ কৰা হয়, সেয়া নিশ্চিত কৰিবলৈ আপুনি অভিযোগটো নিজে গৈ দিব অথবা ডাকত দিলেও ৰেজিষ্টাৰ ডাকতহে দিব। যিকোনো ক্ষেত্ৰতে সদায় এখন প্ৰাপ্তি ৰচিদ বিচাৰিব আৰু সেইখন ভালদৰে ৰাখিব। সেইখন প্ৰমাণ কৰিব যে সংশ্লিষ্ট বিষয়াজনে আচলতে অভিযোগটো পাইছে। আপোনাৰ অভিযোগটো পঞ্জীভুক্ত কৰোঁতে পোৱা অসুবিধাৰ বিষয়ে আপুনি অভিযোগ কৰা উচিত। এনে কৰিলে বিষয়াগৰাকীয়ে পিছলৈ আকৌ তেনেকুৱা কৰাৰ সম্ভাৱনা কম হ'ব।

**৬০. এজাহাৰত কি কি কথা লিখিব লাগে ?**

এজাহাৰ হ'ল ঘটনাটো আপুনি যেনেদৰে জানে বা আপোনাক যেনেদৰে কোৱা হৈছে, তেনেদৰে তথ্যসমূহৰ আপুনি দিয়া বিৱৰণ। আপুনি তথ্যসমূহ প্ৰথমতে জানিলে ভাল হয়। কিন্তু ঘটনাটো আপুনি নিজ চকুৰে দেখিবই লাগিব সেয়া জৰুৰী নহয়। যিয়েই নহওক আপুনি শুদ্ধ তথ্যহে দিব। কেতিয়াও তথ্যবোৰ অতিৰঞ্জিত কৰি নিলিখিব বা অনুমান বা নিজৰ সিদ্ধান্ত নিদিব।

ঘটনাটো সংঘটিত হোৱা স্থান, তাৰিখ আৰু সময় উল্লেখ কৰিব। জড়িত লোকসকলৰ প্ৰত্যেকৰে ভূমিকা সাৱধানতাৰে বৰ্ণনা কৰিব। যেনে—কোন ক'ত আছিল, তেওঁলোকে কোনে কি কৰি আছিল, কোনটো কাম কোনে কৰিলে তাৰ ক্ৰম অনুসৰি বিৱৰণ, কোনোবা আঘাতপ্ৰাপ্ত হৈছিল নেকি বা কোনো সম্পত্তি ধ্বংস হৈছে নেকি তাৰ শুদ্ধ বিৱৰণ দিব। ব্যৱহৃত অস্ত্ৰৰ কথা উল্লেখ কৰিবলৈ নাপাহৰিব। এই সকলো ঘটনা আৰু তথ্য যিমান সোনকালে সম্ভৱ নথিভুক্ত কৰা ভাল। যদি কিবা কাৰণত পলম হয়, পলম হোৱাৰ কাৰণটো নিশ্চয়কৈ উল্লেখ কৰিব।

**৬১. মই যিখিনি কৈছোঁ আৰক্ষীয়ে সেইখিনি শুদ্ধকৈ লিখিছে বুলি মই কেনেকৈ নিশ্চিত হ'ম?**

মনত ৰাখিব যে এজাহাৰ হ'ল আপুনি যিখিনি জানে তাৰ আপুনি দিয়া বিৱৰণ। এয়া আৰক্ষীয়ে দিয়া বিৱৰণ নহয়। আপুনি জনোৱা কথাখিনিৰ কোনো হৰণ-ভগন নোহোৱাকৈ লিখি লোৱাটো আৰক্ষীৰ কাম। আপুনি জনোৱা কথাখিনি শুদ্ধকৈ লিখা হৈছে নে নাই নিশ্চিত কৰিবলৈ আৰক্ষী বিষয়াগৰাকীয়ে আপোনাক এজাহাৰখন পঢ়ি শুনাব লাগে। আৰক্ষী বিষয়াগৰাকীয়ে লিখা কথাখিনিত আপুনি সন্মত হ'লে তাত আপুনি চহী কৰিব লাগিব। ইয়াৰ এটা প্ৰতিলিপি বিনামূল্যে আৰক্ষীয়ে আপোনাক দিব লাগিব। এজাহাৰখন এজাহাৰ ৰেজিষ্টাৰত নথিভুক্ত হয় আৰু ইয়াৰ প্ৰতিলিপি জ্যেষ্ঠ বিষয়া আৰু দণ্ডাধীশৰ ওচৰলৈ যায়।

**৬২. মহিলাৰ এজাহাৰ গ্ৰহণ কৰাৰ ক্ষেত্ৰত কিবা বিশেষ ব্যৱস্থা আছে নেকি?**

হয়, মহিলাৰ বিৰুদ্ধে কিছুমান বিশেষ অপৰাধৰ ক্ষেত্ৰত এনে ব্যৱস্থা আছে। এগৰাকী মহিলাই আৰক্ষী চকীলৈ গৈ এজাহাৰ দিয়াটো সহজ কথা নহয়। সেয়ে এগৰাকী মহিলাই ধৰ্ষণ, দলবদ্ধ ধৰ্ষণ, অনুসৰণ কাৰ্য, গোপনে লক্ষ্য কৰি থকা, যৌন উৎপীড়ন, শালীনতা হানিৰ চেষ্টা বা এচিড আক্ৰমণৰ বিৰুদ্ধে অভিযোগ দিবলৈ গ'লে তেওঁৰ এজাহাৰখন এগৰাকী মহিলা আৰক্ষী বিষয়াই বা যিকোনো এগৰাকী মহিলা বিষয়াই পঞ্জীয়ন কৰিব। এই কথা আইনে নিশ্চিত কৰিছে। শাৰিৰীক বা মানসিকভাৱে অক্ষম মহিলা হ'লে তেখেতে এজাহাৰ দাখিল কৰিবলৈ নিজে আৰক্ষী আস্থানলৈ যাব নালাগে। আৰক্ষী বিষয়াহে তেনে মহিলাই দিয়া গোচৰ গ্ৰহণ কৰিবলৈ মহিলাগৰাকীৰ ঘৰ বা তেখেতে নিৰ্ধাৰণ কৰি দিয়া সুবিধাজনক স্থানলৈ যাব লাগিব। আৰক্ষীয়ে মহিলা এগৰাকীৰ প্ৰয়োজন সাপেক্ষে বিশেষজ্ঞ পৰামৰ্শদাতা বা উপদেষ্টাৰ ব্যৱস্থা কৰিব লাগিব। মহিলাগৰাকীৰ বিবৃতি ভিডিঅ' কৰি ৰখাটো বাধ্যতামূলক।

**৬৩. এজন আৰক্ষী বিষয়াই এজাহাৰ পঞ্জীয়ন কৰিবলৈ প্ৰত্যাখ্যান কৰিলে কি হ'ব?**




যদি কোনো আৰক্ষী বিষয়াই এগৰাকী মহিলাৰ বিপক্ষে হোৱা যৌন অপৰাধৰ এজাহাৰৰ পঞ্জীয়ন নকৰে তেনেহ'লে আৰক্ষী বিষয়াজন দোষী সাব্যস্ত হ'লে তেখেতে ৬ মাহৰপৰা ২ বছৰ পৰ্যন্ত কাৰাবাস খাটিবলগীয়া হোৱাৰ উপৰিও জড়িমনা ভৰিব লাগিব।




**৬৪. যৌন উৎপীড়নৰ বলি হোৱা শিশুসকলৰ ক্ষেত্ৰত কি হ'ব? এইক্ষেত্ৰত আৰক্ষীয়ে গ্ৰহণ কৰিব লগা বিশেষ ব্যৱস্থা আছে নে?**

হয়, নিশ্চিতকৈয়ে আছে। শিশুক যৌন উৎপীড়নৰপৰা নিৰাপত্তা প্ৰদানকাৰী আইন, ২০১২ত (The Protection of Chldren from Sexual Offences Act, 2012 (POCSO)) শিশুৰ বিপক্ষে হ'বলগীয়া অপৰাধৰ কাৰ্য বিৰৰণী, সাক্ষ্যৰ টোকা গ্ৰহণ, অনুসন্ধান আৰু ঘটনাৰ ৰুজু কৰা হয়। ইয়াৰ লগে লগেই শিশু আৰক্ষী বিভাগ বা স্থানীয় আৰক্ষীয়ে শিশুটিৰ বিবৃত্তি শিশুটিৰ ঘৰ বা শিশুটিয়ে বিচৰা ঠাইত ল'ব লাগে। গোচৰ পঞ্জীয়ন কৰাৰ ক্ষেত্ৰত অতি কমেও উপ-পৰিদৰ্শক পদাধিকাৰ প্ৰাপ্ত মহিলা আৰক্ষীক অগ্ৰাধিকাৰ দিয়া হয়। বিবৃতি গ্ৰহণৰ সময়ত আৰক্ষী বিষয়া গৰাকীয়ে কৰ্তব্যৰত অৱস্থাত পিন্ধা আৰক্ষীৰ পোছাক পিন্ধি থাকিব নালাগে। এগৰাকী শিশুক আৰক্ষীয়ে কোনো কাৰণতে ৰাতি থানাত ৰাখি থ'ব নোৱাৰে। শিশুটিয়ে দিয়া বিবৃতি শিশুয়ে বুজি পোৱা ভাষাতে গ্ৰহণ কৰাটো বাঞ্চনীয়। যদি শিশুটিৰ প্ৰয়োজন হয় আৰক্ষীয়ে দোভাষী বা অনুবাদকাৰী নাইবা এজন বিশেষজ্ঞৰ সহায় বিচাৰিব পাৰে।

যদি শিশু আৰক্ষী বিভাগ বা স্থানীয় আৰক্ষীয়ে এই কথা উপলব্ধি কৰে যে শিশুটিৰ যত্ন লোৱা আৰু সুৰক্ষা দিয়াৰ প্ৰয়োজনীয়তা আছে তেনেহ'লে শিশুটিক অতিশীঘ্ৰেই নিৰীক্ষণ গৃহ বা চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰিব লাগে। এই ব্যৱস্থা লোৱাৰ পূৰ্বে আৰক্ষীয়ে লিখিত আকাৰত কাৰণ বৰ্ণনা কৰাটো অত্যন্ত জৰুৰী।

যদি শিশুটিক চিকিৎসালয়লৈ নিয়া হয় তেনেহ'লে তাত শিশুটিৰ মাক-দেউতাক বা শিশুটিয়ে বিশ্বাস আৰু ভৰসা কৰা ব্যক্তি উপস্থিত থকাটো অত্যন্ত প্ৰয়োজনীয়। যদিহে ঘটনাৰ বলি হোৱা শিশুটি ছোৱালী হয় এনে ক্ষেত্ৰত শিশুটিক পৰীক্ষা কৰা চিকিৎসকগৰাকীও মহিলা হ'ব লাগিব।

**৬৫. মোৰ এজাহাৰখন নথিভুক্ত হোৱাৰ পিছত কি হয়?**

এজাহাৰখনে আৰক্ষীৰ অনুসন্ধানক গতি দিয়ে। ইয়াৰে অংশ হিচাপে আৰক্ষীয়ে ভুক্তভোগী আৰু অভিযুক্তৰ লগত কথা পাতিব পাৰে, বিবৃতিবোৰ আৰু মৃত বুলি কৰা ঘোষণাবোৰ নথিভুক্ত কৰিব, অপৰাধৰ স্থান পৰীক্ষা কৰিব, প্ৰয়োজন অনুসৰি কিছুমান বস্তু ফৰেনচিক পৰীক্ষাৰ বাবে আৰু মৃতদেহবোৰ পোষ্টমৰ্টেমৰ বাবে পঠিয়াব, বিভিন্ন লোকক সোধা-পোছা কৰিব আৰু এনেদৰে অনুসন্ধানত আগবাঢ়িব। অনুসন্ধান সম্পূৰ্ণ হ'লে দায়িত্বত থকা বিষয়াই ইয়াৰ এখন সম্পূৰ্ণ বৃত্তান্ত তৈয়াৰ কৰিব। ইয়াকে চাৰ্জশ্বিট বা চালান বুলি কোৱা হয়।

**৬৬. চাৰ্জশ্বিট বা চালান কি?**

সকলো অনুসন্ধান সম্পূৰ্ণ হোৱাৰ পিছত দায়িত্বত থকা বিষয়াই সকলোবোৰ তথ্য চাই তাত এটা অপৰাধ হোৱা বুলি দেখুৱাবলৈ যথেষ্ট প্ৰমাণ আছে নে নাই সিদ্ধান্ত ল'ব আৰু গুচৰীয়া পক্ষ আৰু আদালতৰ বাবে সকলোবোৰ তথ্য চাৰ্জশ্বিটত নথিভুক্ত কৰিব। যদি অপৰাধৰ সকলোবোৰ উপাদান তাত নাথাকে, তেনেহ'লে অভিযুক্তক বিচাৰৰ বাবে আদালতলৈ অনা সময়ৰ অপচয়ৰ বাহিৰে একো নহয়। চাৰ্জশ্বিটখন গুচৰীয়া পক্ষ আৰু আদালতলৈ যোৱাৰ পিছত তাত উল্লেখ থকা ঘটনা আৰু তথ্যসমূহ অপৰাধৰ পৰ্যায়ত পৰিব নে নাই সেয়া জানিবলৈ তেওঁলোকে নিজাববীয়াকৈ চাৰ্জশ্বিটখন পৰীক্ষা কৰিব।

**৬৭. আৰক্ষীয়ে মোৰ অভিযোগটো বন্ধ কৰিব আৰু অভিযোগ সম্পৰ্কে কোনো কাৰ্য ব্যৱস্থা নোলোৱাকৈ থাকিব পাৰেনে?**

পাৰে। নিজাববীয়াকৈ অনুসন্ধান কৰাৰ পিছত আৰক্ষীয়ে যদি ভাবে যে অপৰাধ এটা হৈছে বুলি ধাৰণা কৰিবলৈ কোনো তথ্য নাই অথবা অভিযোগটোক সমৰ্থন কৰিব পৰাকৈ যথেষ্ট প্ৰমাণ নাই, বা অপৰাধ এটা হৈছে কিন্তু কোনে কৰিলে জনা নাযায়, তেনেক্ষেত্ৰত আৰক্ষীয়ে আদালতৰ আগত কাৰণ দৰ্শাই কেছটো বন্ধ কৰি দিব পাৰে। কিন্তু তেওঁলোকে তেওঁলোকৰ এই সিদ্ধান্তৰ বিষয়ে আপোনাকো জনাব লাগিব। তেতিয়া আপুনি আদালতৰ আগত কেছটো বন্ধ কৰাৰ বিৰোধিতা কৰিবলৈ সুযোগ পাব।




উত্তৰাধিকাৰীসুত্ৰে পোৱা সম্পত্তি

**৬৮. মোৰ কেছটোৰ অগ্ৰগতিৰ বিষয়ে মোক জনোৱা হ'বনে?**

আৰক্ষীয়ে আপোনাৰ কেছটোৰ অগ্ৰগতিৰ বিষয়ে আপোনাক জনাব লাগিব বুলি আইনত ক'তো একো লিখা নাই। কিন্তু অভিযোগকাৰীক তেওঁৰ কেছটোৰ অগ্ৰগতিৰ বিষয়ে জনোৱাটো এটা ভাল কথা যদিহে এই তথ্যই কেছটোৰ অনুসন্ধানত বাধাৰ সৃষ্টি নকৰে।

**৬৯. যদি আৰক্ষীয়ে বিষয়টো সম্পৰ্কে অনুসন্ধান কৰা নাই বা খুব লাহে লাহে কৰিছে নাইবা জল্‌জল্-পট্‌পট্ হৈ থকা দিশত অনুসন্ধান কৰিবলৈ অমান্তি হয়, তেতিয়া মই কি কৰিব পাৰোঁ ?**

আইনৰ এটা গুৰুত্বপূৰ্ণ নীতি হ'ল কোনেও আৰক্ষীৰ অনুসন্ধানত হস্তক্ষেপ কৰিব নোৱাৰে। যদি আৰক্ষীয়ে অনুসন্ধান নকৰে, বা খুব লেহেমীয়া গতিত কাম কৰে বা ইচ্ছাকৃতভাৱে কিছুমান দিশ এৰাই চলে, তেনেহ'লে আপুনি জ্যেষ্ঠ আৰক্ষী বিষয়াক বা ওচৰৰ দণ্ডাধীশক অভিযোগ দিব পাৰে। তেওঁ আৰক্ষীক অনুসন্ধানৰ বাবে আদেশ দিব পাৰে আৰু আৰক্ষীৰপৰা অনুসন্ধানৰ তথ্যও বিচাৰিব পাৰে। আকৌ, সকলো অভিযোগ লিখিতভাৱে দিয়াটো নিশ্চিত কৰা আৰু তাৰ বাবে প্ৰাপ্তি ৰচিদ এখন আপোনাৰ লগত ৰখাটো আপোনাৰ বাবে বৰ গুৰুত্বপূৰ্ণ।

**৭০. যেতিয়াই বিচাৰোঁ তেতিয়াই মই আৰক্ষী বিষয়াক মাতিব পাৰোঁনে ?**

পাৰে আৰু নোৱাৰেও। আৰক্ষীসকলৰ কামৰ বোজা অত্যধিক আৰু তেওঁলোকৰ সংখ্যাও কম। গতিকে, ৰাইজে গুৰুত্বহীন অভিযোগ আৰু অনিশ্চিত তথ্যৰে তেওঁলোকক সকলো সময়তে মাতিব নোৱাৰে। কিন্তু আপুনি যদি বিপদত পৰিছে, যদি এটা অপৰাধ হৈছে বা হৈ আছে, যদি কিবা সংঘৰ্ষ হোৱাৰ আশংকা আছে, যদি কিছুমান মানুহে কাজিয়া কৰি আছে আৰু শৃংখলা বিনষ্ট হোৱাৰ আশংকা আছে, অথবা তেওঁলোকক দিবলৈ আপোনাৰ ওচৰত গুৰুত্বপূৰ্ণ খবৰ আছে, তেনেহ'লে নিশ্চয়কৈ আপুনি আৰক্ষীক মাতিব পাৰে। কিন্তু তেওঁলোকৰ কামৰ লগত সম্পৰ্ক নথকা কামৰ বাবে আপুনি আৰক্ষীক মাতিব নোৱাৰে।



কিছুমান দুষ্টলোকে একো নৌহওঁতেও আৰক্ষীক মিছা সূচনা জনাই মাতে। এনেধৰণৰ দুষ্টালিৰ বাবে আপুনি শাস্তি পাব পাৰে।

**৭১. এজন আৰক্ষী বিষয়াই নোসোধাকৈ মোৰ ঘৰলৈ আহি মোৰ ঘৰত তালাচী চলাই বয়-বস্তু লৈ যাব পাৰেনে?**

মাথোঁ কেইটামান বিশেষ পৰিস্থিতিত আৰক্ষীয়ে তেনেকুৰা কৰিব পাৰে। যদি আৰক্ষীয়ে আপোনাক সোধা-পোছা কৰিবলৈ আপোনাৰ ঘৰলৈ আহেও, আপোনাৰ আমন্ত্ৰণক্ৰমেহে তেওঁলোকে আপোনাৰ ঘৰত সোমাব পাৰে। কিন্তু যদি আৰক্ষীৰ হাতত বিশ্বাস কৰিবলৈ যুক্তিযুক্ত ভিত্তি থাকে যে আপুনি কোনো সন্দেহজনক ব্যক্তি বা অপৰাধীক ঘৰত আশ্ৰয় দিছে, বা আপুনি কিবা সম্পত্তি চুৰি কৰিছে, বা আপোনাৰ ঘৰত কিবা বে-আইনী অস্ত্ৰ আছে, তেনেক্ষেত্ৰত তেওঁলোকে দণ্ডাধীশৰপৰা তালাচীৰ বাবে অনুমতি (Search warrant) লৈহে আপোনাৰ ঘৰত প্ৰৱেশ কৰিব পাৰে। কিন্তু যদি সন্দেহজনক ব্যক্তি বা অপৰাধী বা বাজেয়াপ্ত কৰিবলগীয়া বস্তুবোৰ পলম কৰিলে যদি তাৰপৰা নাইকিয়া হোৱাৰ ভয় আছে, তেনেহ'লে তেওঁলোকে তালাচীৰ বাবে ৱাৰেণ্ট নোহোৱাকৈ আপোনাৰ ঘৰত সোমাব পাৰে।

**৭২. তাৰমানে আৰক্ষীয়ে যেতিয়াই মন যায় মোৰ ঘৰত সোমাই বয়-বস্তু লৈ যাব পাৰে নেকি?**




নোৱাৰে। মাথোঁ প্ৰকৃত জৰুৰী প্ৰয়োজনৰ সময়তহে, যেনে—সন্দেহজনক ব্যক্তিগৰাকী পলাই যোৱাৰ বা প্ৰমাণবোৰ নষ্ট কৰি পেলোৱাৰ সম্পূৰ্ণ সম্ভাৱনা থাকিলে আৰক্ষীয়ে ৱাৰেণ্ট অবিহনে আপোনাৰ ঘৰত প্ৰৱেশ কৰিব পাৰে। ৱাৰেণ্ট থাকিলেও বা নাথাকিলেও আৰক্ষীয়ে এটা নিৰ্দিষ্ট প্ৰক্ৰিয়া অনুসৰণ কৰিব লাগে। আৰক্ষীয়ে অন্ততঃ দুগৰাকী স্বনিৰ্ভৰশীল স্থানীয় লোকক সাক্ষী হিচাপে লগত নিব লাগে। ঘৰৰ গৰাকীৰ উপস্থিতিতহে আৰক্ষীয়ে তালাচী চলাব পাৰে। গৰাকী বা মালিকক সেই স্থান ত্যাগ কৰিবলৈ ক'ব নোৱাৰিব। আৰক্ষীয়ে তেওঁলোকে কি কি বস্তু লৈ যাব তাৰ এখন তালিকা কৰিব লাগিব। সাক্ষীসকলে আৰক্ষী আৰু গৃহস্থই বাজেয়াপ্ত কৰা বস্তুবোৰৰ তালিকাৰ সত্যাসত্য পৰীক্ষা কৰি চহী কৰিব লাগিব। ইয়াৰ এটা প্ৰতিলিপি গৃহস্থৰ লগত থাকিব। ঘৰত যদি পৰ্দাৰ আঁৰত থকা মহিলা আছে, তেনেহ'লে তালাচী দলৰ লগত মহিলা বিষয়া থাকিব লাগিব আৰু তেওঁলোকৰ শালীনতাৰ প্ৰতি সম্পূৰ্ণ সন্মান জনাই তালাচী চলাব লাগিব।

**৭৩. তালাচী ৱাৰেণ্ট মানে কি?**


মানুহৰ ঘৰ আৰু কাৰ্যালয়বোৰ তেওঁলোকৰ ব্যক্তিগত ঠাই। সেইবোৰত কোনোৱে এনেয়ে সোমাই তালাচী কৰিব নোৱাৰে। এইবোৰ ঠাইত সোমাই তালাচী কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত এটা যুক্তিযুক্ত কাৰণ থাকিব লাগিব। সেইকাৰণে আইনে বিচাৰে যে কোনোবাই যদি এই অধিকাৰ ভংগ কৰি মানুহৰ ব্যক্তিগত ঘৰত প্ৰৱেশ কৰিব বিচাৰে, তেনেহ'লে তেওঁলোকে তাৰ কাৰণ ব্যাখ্যা কৰিব লাগিব। সেয়ে আৰক্ষীয়ে দণ্ডাধীশৰ আগত কাৰণ দৰ্শাব লাগে কিয় তেওঁলোকে ভাবিছে যে তাত কিবা বয়-বস্তু, নথিপত্ৰ বা মানুহ লুকুৱাই ৰখা হৈছে, যিবোৰ পালে তেওঁলোকে অপৰাধ এটা সমাধান কৰিব পাৰে। যেতিয়া দণ্ডাধীশৰ বিশ্বাস ওপজিব যে আৰক্ষীয়ে তাত 'এনেয়ে' সোমাব বিচৰা নাই, তেতিয়া তেওঁ তাৰ বাবে কৰ্তৃত্ব প্ৰদান কৰিব। এই কৰ্তৃত্ব বৰ সীমিত। সেই বিশেষ ঠাইত প্ৰৱেশৰ বাবে অনুমতি পোৱা বিষয়াগৰাকীৰ নাম আৰু পদবী থাকে আৰু তাত আদালতৰ চহী আৰু মোহৰ থাকে।

**৭৪. মই ৰাস্তাৰে খোজকাঢ়ি গৈ থাকোঁতে আৰক্ষীয়ে মোক যি মন যায় সুধিব পাৰে নেকি?**

নোৱাৰে। সাধাৰণতে আইনসংগতভাৱে কাম কৰা মানুহৰ ক্ষেত্ৰত আৰক্ষীয়ে কোনো ধৰণৰ হস্তক্ষেপ কৰিব নোৱাৰে। কিন্তু যদি তেওঁলোকে ভাবে যে কোনোবাই অবাবত ইফাল-সিফাল কৰি আছে, বিশেষকৈ আন্ধাৰ হোৱাৰ পিছত তেনেহ'লে তেওঁলোকে আপোনাক ৰখাই আপোনাৰ নাম আৰু আপুনি কি কৰি আছে সুধিব পাৰে। সমগ্ৰ ঘটনাটোত সন্দেহজনক কিবা থাকিলে তেওঁলোকে আপোনাক গ্ৰেপ্তাৰ কৰিব পাৰে। সন্দেহজনক ব্যক্তি আৰু নিয়মীয়া অপৰাধীসকলক ধৰিবৰ বাবে আৰক্ষীয়ে প্ৰায়ে এই ক্ষমতাৰ ব্যৱহাৰ কৰে। এই ক্ষমতাৰ অতিমাত্ৰা ব্যৱহাৰক সংস্কাৰ সমিতিবোৰে প্ৰায়ে আলোচনা কৰে আৰু গৰিহণা দিয়ে।

**৭৫. কোনো সমদল বা পথসভাত অংশ লোৱাত আৰক্ষীয়ে মোক বাধা দিব পাৰে নেকি?**

শান্তিপূৰ্ণ সমদলত অংশ গ্ৰহণ কৰাত আপোনাক কোনেও বাধা দিব নোৱাৰে। কিন্তু নিয়মমতে সমদল এটা উলিওৱাৰ আগতে স্থানীয় আৰক্ষীৰপৰা অনুমতি ল'ব লাগে। যদি আৰক্ষীয়ে ভাবে যে সমদলটোৱে শান্তি-শৃংখলা বিঘ্নিত কৰিব পাৰে বা সমদলটো হিংসাপূৰ্ণ হ'ব পাৰে, তেনেহ'লে শান্তি-শৃংখলা ৰক্ষাৰ স্বাৰ্থত তেওঁলোকে সমদল উলিয়াবলৈ অনুমতি নিদিব পাৰে। পিছত যদি সমদলটো বিশৃংখল হয়, আৰক্ষীয়ে তেওঁলোকক বাধা দিব আৰু সেই স্থান পৰিত্যাগ কৰিববলৈ ক'ব পাৰে। সমদলটো যদি



আঁতৰি নাযায়, তেওঁলোকক ছত্ৰভংগ দিয়াবলৈ আৰক্ষীয়ে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। এহাতে আৰক্ষীৰ কৰ্তব্য হ'ল সকলো সময়তে যাতে শান্তি-শৃংখলা বৰ্তি থাকে, সেয়া নিশ্চিত কৰা। আনহাতে, শান্তিপূৰ্ণভাৱে ৰাজহুৱা সভা অনুষ্ঠিত কৰাৰ মৌলিক অধিকাৰ সাব্যস্ত কৰিবলৈ নাগৰিকসকলক সুবিধা প্ৰদান কৰাও আৰক্ষীৰ কৰ্তব্য।

**৭৬. পথসভা বা সমদল এটা ভংগ কৰাবলৈ আৰক্ষীয়ে শক্তি প্ৰয়োগ কৰিব পাৰেনে?**

পাৰে। কিন্তু আৰক্ষীয়ে যিয়ে নকৰক কিয় সেয়া যুক্তিসংগত হ'ব লাগিব। আৰক্ষীৰ কাম সাধাৰণ মানুহক শাস্তি দিয়া নহয়। তেওঁলোকৰ কৰ্তব্য হ'ল মানুহৰ নিৰাপত্তা তথা আইন-শৃংখলা যাতে বিনষ্ট নহয়, সেয়া নিশ্চিত কৰা। গতিকে নিয়মমতে মানুহৰ জুম এটাক নিয়ন্ত্ৰণ কৰিবলৈ শেষ উপায় হিচাপেহে আৰক্ষীয়ে শক্তি প্ৰয়োগ কৰিব পাৰিব। যদি শক্তি প্ৰয়োগ কৰিবলগীয়া হয়, সেয়া একেবাৰে কম পৰিমাণৰ তথা পৰিস্থিতিৰ লগত সংগতিপূৰ্ণ হ'ব লাগিব আৰু যিমান সোনকালে সম্ভৱ এই শক্তি প্ৰয়োগ বন্ধ কৰিব লাগিব। প্ৰকৃততে এজন কাৰ্যবাহী দণ্ডাধীশ বা এখন থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বা তেওঁৰ অনুপস্থিতিত আন আৰক্ষী বিষয়াই এনে পৰিস্থিতিত শক্তি প্ৰয়োগৰ আদেশ দিব পাৰে। সেই আদেশকাৰী বিষয়াজন চাব-ইন্সপেক্টৰ পদবীৰ তলৰ হ'ব নোৱাৰিব।

**৭৭. আৰক্ষীয়ে নিজৰ ইচ্ছামতে গুলীচালনা কৰিব পাৰেনে?**

কেতিয়াও নোৱাৰে। সমদল এটাক নিয়ন্ত্ৰণ কৰিবলৈ সকলোধৰণৰ উপায় ব্যৱহাৰ কৰিও মানুহৰ জুমটোক নিয়ন্ত্ৰণ কৰিবলৈ ব্যৰ্থ হোৱাৰ দৰে বিৰল ঘটনাৰ ক্ষেত্ৰতহে গুলীচালনাৰ দৰে ভয়ংকৰ শক্তিৰ প্ৰয়োগ কৰিব পাৰে। আকৌ, এই ধৰণৰ কাৰ্যক অনুমোদন জনাবলৈ সেই স্থানত এজন দণ্ডাধীশ উপস্থিত থাকিব লাগিব।



**৭৪. মই ৰাস্তাৰে খোজকাঢ়ি গৈ থাকোঁতে আৰক্ষীয়ে মোক যি মন যায় সুধিব পাৰে নেকি?**

নোৱাৰে। সাধাৰণতে আইনসংগতভাৱে কাম কৰা মানুহৰ ক্ষেত্ৰত আৰক্ষীয়ে কোনো ধৰণৰ হস্তক্ষেপ কৰিব নোৱাৰে। কিন্তু যদি তেওঁলোকে ভাবে যে কোনোবাই অবাবত ইফাল-সিফাল কৰি আছে, বিশেষকৈ আন্ধাৰ হোৱাৰ পিছত তেনেহ'লে তেওঁলোকে আপোনাক ৰখাই আপোনাৰ নাম আৰু আপুনি কি কৰি আছে সুধিব পাৰে। সমগ্ৰ ঘটনাটোত সন্দেহজনক কিবা থাকিলে তেওঁলোকে আপোনাক গ্ৰেপ্তাৰ কৰিব পাৰে। সন্দেহজনক ব্যক্তি আৰু নিয়মীয়া অপৰাধীসকলক ধৰিবৰ বাবে আৰক্ষীয়ে প্ৰায়ে এই ক্ষমতাৰ ব্যৱহাৰ কৰে। এই ক্ষমতাৰ অতিমাত্ৰা ব্যৱহাৰক সংস্কাৰ সমিতিবোৰে প্ৰায়ে আলোচনা কৰে আৰু গৰিহণা দিয়ে।

**৭৫. কোনো সমদল বা পথসভাত অংশ লোৱাত আৰক্ষীয়ে মোক বাধা দিব পাৰে নেকি?**

শান্তিপূৰ্ণ সমদলত অংশ গ্ৰহণ কৰাত আপোনাক কোনেও বাধা দিব নোৱাৰে। কিন্তু নিয়মমতে সমদল এটা উলিওৱাৰ আগতে স্থানীয় আৰক্ষীৰপৰা অনুমতি ল'ব লাগে। যদি আৰক্ষীয়ে ভাবে যে সমদলটোৱে শান্তি-শৃংখলা বিঘ্নিত কৰিব পাৰে বা সমদলটো হিংসাপূৰ্ণ হ'ব পাৰে, তেনেহ'লে শান্তি-শৃংখলা ৰক্ষাৰ স্বাৰ্থত তেওঁলোকে সমদল উলিয়াবলৈ অনুমতি নিদিব পাৰে। পিছত যদি সমদলটো বিশৃংখল হয়, আৰক্ষীয়ে তেওঁলোকক বাধা দিব আৰু সেই স্থান পৰিত্যাগ কৰিবলৈ ক'ব পাৰে। সমদলটো যদি আঁতৰি নাযায়, তেওঁলোকক ছত্ৰভংগ দিয়াবলৈ আৰক্ষীয়ে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। এহাতে আৰক্ষীৰ কৰ্তব্য হ'ল সকলো সময়তে যাতে শান্তি-শৃংখলা বৰ্তি থাকে, সেয়া নিশ্চিত কৰা। আনহাতে, শান্তিপূৰ্ণভাৱে ৰাজহুৱা সভা অনুষ্ঠিত কৰাৰ মৌলিক অধিকাৰ সাব্যস্ত কৰিবলৈ নাগৰিকসকলক সুবিধা প্ৰদান কৰাও আৰক্ষীৰ কৰ্তব্য।

**৭৬. পথসভা বা সমদল এটা ভংগ কৰাবলৈ আৰক্ষীয়ে শক্তি প্ৰয়োগ কৰিব পাৰেনে?**


পাৰে। কিন্তু আৰক্ষীয়ে যিয়ে নকৰক কিয় সেয়া যুক্তিসংগত হ'ব লাগিব। আৰক্ষীৰ কাম সাধাৰণ মানুহক শাস্তি দিয়া নহয়। তেওঁলোকৰ কৰ্তব্য হ'ল মানুহৰ নিৰাপত্তা তথা আইন-শৃংখলা যাতে বিনষ্ট নহয়, সেয়া নিশ্চিত কৰা। গতিকে নিয়মমতে মানুহৰ জুম এটাক নিয়ন্ত্ৰণ কৰিবলৈ শেষ উপায় হিচাপেহে আৰক্ষীয়ে শক্তি প্ৰয়োগ কৰিব পাৰিব। যদি শক্তি প্ৰয়োগ কৰিবলগীয়া হয়, সেয়া একেবাৰে কম পৰিমাণৰ তথা পৰিস্থিতিৰ লগত সংগতিপূৰ্ণ হ'ব লাগিব আৰু যিমান সোনকালে সম্ভৱ এই শক্তি প্ৰয়োগ বন্ধ কৰিব লাগিব। প্ৰকৃততে এজন কাৰ্যবাহী দণ্ডাধীশ বা এখন থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বা তেওঁৰ অনুপস্থিতিত আন আৰক্ষী বিষয়াই এনে পৰিস্থিতিত শক্তি প্ৰয়োগৰ আদেশ দিব পাৰে। সেই আদেশকাৰী বিষয়াজন চাব-ইন্সপেক্টৰ পদবীৰ তলৰ হ'ব নোৱাৰিব।

**৭৭. আৰক্ষীয়ে নিজৰ ইচ্ছামতে গুলীচালনা কৰিব পাৰেনে?**

কেতিয়াও নোৱাৰে। সমদল এটাক নিয়ন্ত্ৰণ কৰিবলৈ সকলোধৰণৰ উপায় ব্যৱহাৰ কৰিও মানুহৰ জুমটোক নিয়ন্ত্ৰণ কৰিবলৈ ব্যৰ্থ হোৱাৰ দৰে বিৰল ঘটনাৰ ক্ষেত্ৰতহে গুলীচালনাৰ দৰে ভয়ংকৰ শক্তিৰ প্ৰয়োগ কৰিব পাৰে। আকৌ, এই ধৰণৰ কাৰ্যক অনুমোদন জনাবলৈ সেই স্থানত এজন দণ্ডাধীশ উপস্থিত থাকিব লাগিব।

**৭৮. যদি মানুহৰ জুমটো নিয়ন্ত্ৰণহীন হয় আৰু শিল দলিয়ায় বা সম্পত্তি ধ্বংস কৰে, তেনেক্ষেত্ৰত আৰক্ষীয়ে কি কৰিব পাৰে?**

মানুহৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰা আৰক্ষীৰ এটা কৰ্তব্য। কিন্তু কেনেদৰে তেওঁলোকে তেওঁলোকৰ কাম কৰিব, তাৰ এটা নিৰ্দিষ্ট নিয়ম আছে। প্ৰথমতে, সমদল বা মানুহৰ জুমটোক সেই স্থান পৰিত্যাগ কৰিবলৈ কেবাবাৰো সাৱধান বাণী শুনাব লাগিব আৰু এই নিৰ্দেশ পালন কৰিবলৈ জুমটোক যথেষ্ট সময় দিব লাগিব। আৰু এটা সাৱধান বাণীৰ পিছত কন্দুৱা গেছ প্ৰয়োগ কৰিব বা লাঠি চালনা কৰিব পাৰে। কিন্তু লাঠিৰে মূৰত বা কান্ধত মাৰিব নোৱাৰি, কঁকালৰপৰা তলতহে লাঠিৰে কোবাব পাৰি। যদি আৰক্ষীয়ে গুলীচালনা কৰিবলৈ সিদ্ধান্ত লয়, তেনেহ'লে গুলীচালনা হ'ব বুলি এটা স্পষ্ট সাৱধান বাণী শুনাব লাগিব। ইয়াতো নিয়মটো হ'ল একেবাৰে কম শক্তিৰ প্ৰয়োগ। সেয়ে গুলীচালনা কৰোঁতে তললৈ লক্ষ্য কৰি গুলীয়াব লাগিব বা মানুহৰ জুমটোৰ একাংশক ভয় খুৱাবলৈ ব্যৱহাৰ কৰিব পাৰে। ইয়াৰ উদ্দেশ্য হ'ল ভয় খুৱাই তেওঁলোকক ছত্ৰভংগ দিওৱা, কোনো সমদলকাৰীক হত্যা কৰা ইয়াৰ উদ্দেশ্য নহয়। সমদলটোৱে সেই স্থান পৰিত্যাগ কৰাৰ লক্ষণ দেখুওৱাৰ লগে লগে গুলীচালনা বন্ধ কৰিব লাগিব। আহতসকলক



তত্তালিকে হাস্পতাললৈ নিব লাগিব। অৱশ্যে ৰেকৰ্ডৰ বাবে সকলো বিষয়াই তেওঁৰ ভূমিকাৰ বিষয়ে প্ৰতিবেদন দিব লাগে।

**৭৯. আৰক্ষীয়ে মোক কোনো গোপন ঠাইত আটক কৰি ৰাখিব পাৰে নেকি বা মই তেওঁলোকৰ লগত আছোঁ, সেই কথা সকলোৰেপৰা গোপনে ৰাখিব পাৰে নেকি ?**

নোৱাৰে। আৰক্ষীয়ে তেনেকুৱা কৰা বুলি প্ৰায়ে আমি শুনিবলৈ পাওঁ কিন্তু এয়া আইনবিৰুদ্ধ কাম। যেতিয়াই আৰক্ষীয়ে আপোনাক তেওঁলোকৰ জিম্মাত ল'ব, তেতিয়াৰপৰা আপোনাৰ শাৰীৰিক সুস্থতা আৰু আপোনাৰ অধিকাৰবোৰৰ সুৰক্ষা প্ৰদান কৰা আৰক্ষীৰ দায়িত্ব। যদি আপোনাৰ কিবা ক্ষতি হয় বা আপোনাৰ অধিকাৰবোৰক সন্মান প্ৰদৰ্শন কৰা সম্ভৱ নহয়, বৰঞ্চ যিকোনোধৰণে সেইবোৰক বাধা প্ৰদান কৰা হয়, তেতিয়া তাৰ বাবে আৰক্ষী দায়ী হ'ব। এইটো মনত ৰাখিবলগীয়া এটা গুৰুত্বপূৰ্ণ আইনী কথা।

দ্বিতীয়তে, থানালৈ অহা সকলো ব্যক্তিৰ কথা আৰক্ষীয়ে তেওঁলোকৰ থানাৰ সাধাৰণ ডায়েৰীত লিখি থ'ব লাগে। গতিকে সোধা-পোছাৰ বাবে আপোনাক কেতিয়া থানালৈ অনা হ'ল আৰু কেতিয়া আপোনাক গ্ৰেপ্তাৰ কৰা হ'ল, এই সকলো কথা তেওঁলোকৰ থানাৰ সাধাৰণ ডায়েৰীত লিখা থাকিব। অনুসন্ধানকাৰী বিষয়াৰ কেছ ডায়েৰীতো এই তথ্য থাকিব। তদুপৰি, আৰক্ষীৰ নিয়ন্ত্ৰণ কক্ষতো যোৱা ১২ ঘণ্টাত গ্ৰেপ্তাৰ কৰা সকলৰ তালিকা এখন সকলোৱে দেখা পোৱাকৈ আঁৰি থোৱাটো বাধ্যতামূলক।




শেষত, আপোনাক সোধা-পোছা কৰা সময়ছোৱাৰ বাবে আপুনি এগৰাকী উকিল পাব। ইয়াৰ অৰ্থ হ'ল কমপক্ষে হ'লেও আপোনাক জিম্মাত ৰখা স্থান আপোনাৰ পৰিয়াল তথা বন্ধু-বান্ধৱৰ জ্ঞাত হ'ব লাগিব আৰু অহা-যোৱা কৰিব পৰা হ'ব লাগিব।

**৮০. আৰক্ষীয়ে মোক থানাত ৰাখি থ'ব পাৰে নে মোৰ যেতিয়াই মন যায় তেতিয়াই থানা এৰি আহিব পাৰোঁ ?**

এটা যুক্তিযুক্ত কাৰণত আপোনাক আনুষ্ঠানিকভাৱে গ্ৰেপ্তাৰ নকৰালৈকে আপোনাৰ ইচ্ছাৰ বিৰুদ্ধে আৰক্ষীয়ে আপোনাক আটক কৰি ৰাখিব নোৱাৰে। আৰক্ষীয়ে সোধা-পোছাৰ বাবে আপোনালৈ ছমন জাৰি কৰিলে তেওঁলোকৰ লগত সহযোগ কৰা আৰু তেওঁলোকৰ অনুসন্ধানত সহায় কৰা আপোনাৰ কৰ্তব্য। কিন্তু আৰক্ষীৰ সোধা-পোছাখিনি ক্ষীপ্ৰ আৰু দক্ষ হ'ব লাগিব, দীঘলীয়া সময়ৰ বাবে অন্তহীনভাৱে দৰে সোধা-পোছা কৰিব নোৱাৰিব। আৰক্ষীয়ে থানাত আপোনাক অন্তহীন সময়ৰ বাবে অপেক্ষা কৰাই থ'ব নোৱাৰে। যিকোনো ক্ষেত্ৰতে আপুনি যেতিয়াই বিচাৰে তেতিয়াই থানাৰপৰা ওলাই আহিব পাৰে।

**৮১. যদি আৰক্ষী বিষয়াজনে মোক আহিবলৈ নিদিয়ে, তেতিয়া মই কি কৰিব পাৰোঁ ?**

আনুষ্ঠানিকভাৱে আপোনাক যদি গ্ৰেপ্তাৰ কৰা হোৱা নাই, তেনেহ'লে এক মুহূৰ্তৰ বাবেও আপোনাৰ ইচ্ছাৰ বিৰুদ্ধে আপোনাক আটক কৰাটো এটা গুৰুতৰ অপৰাধ। ইয়াক বে-আইনীভাৱে আটক কৰা বুলি কোৱা হয়। আপুনি বা আপোনাৰ পৰিয়াল বা বন্ধু-বান্ধৱে এনে কাৰ্য কৰা আৰক্ষী বিষয়াৰ বিৰুদ্ধে তেওঁৰ জ্যেষ্ঠ বিষয়া বা দণ্ডাধীশৰ ওচৰত অভিযোগ দাখিল কৰিব পাৰে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল তত্তালিকে আপুনি আপোনাৰ উকিল বা পৰিয়াল বা বন্ধু-বান্ধৱৰ জৰিয়তে উচ্চ ন্যায়ালয় বা উচ্চতম ন্যায়ালয়ত হেইবিআছ্ কৰ্পাছ (Habeas Corpus) আবেদন এখন দাখিল কৰিব পাৰে।

**৮২. হেইবিআছ্ কৰ্পাছ মানে কি ?**

ক্ষমতাশালী শাসকৰ দালালে ধৰি অনা লোকসকলৰ সুৰক্ষাৰ বাবে এয়া এক অতি পুৰণি আইনী প্ৰতিবিধান। ইয়াৰ আক্ষৰিক অৰ্থ হ'ল 'শৰীৰটো উপস্থিত কৰক'। বে-আইনী আটককৰণৰ বিৰুদ্ধে এয়া আটাইতকৈ ব্যৱহাৰিক প্ৰতিবিধান। উচ্চ বা উচ্চতম ন্যায়ালয়ে এনেকুৱা আবেদনৰ ক্ষেত্ৰত জৰুৰীভাৱে কাম কৰে। শেষবাৰৰ বাবে আৰক্ষীৰ জিম্মাত দেখা পোৱা কোনো ব্যক্তি নাইকিয়া হোৱা বুলি আদালতে যেতিয়াই কোনো আবেদন পায়, তেতিয়াই তত্তালিকে তেওঁক আদালতৰ আগত হাজিৰ কৰাবলৈ আদলতে আৰক্ষীক নিৰ্দেশ দিয়ে। তেওঁৰ আটক আইনসংগত বুলি আদালতৰ আগত প্ৰমাণ কৰিব নোৱাৰিলে আদালতে তেওঁৰ তাৎক্ষণিক মুক্তিৰ বাবে আৰক্ষীক নিৰ্দেশ দিব। যদি এই আটক বে-আইনী হয়, আদালতে ভুক্তভোগীৰ বাবে ক্ষতিপুৰণো মঞ্জুৰ কৰে।

**৮৩. যদি কোনো ব্যক্তিক বে-আইনীভাৱে আটক কৰা হয় আৰু তেওঁক ক'ত ৰখা হৈছে মই নাজানো, তেনেহ'লে তেওঁৰ বিষয়ে জানিবলৈ অন্য কিবা উপায় আছে নেকি ?**

আছে। ব্যক্তিগৰাকী ক'ত আছে জানিবলৈ 'তথ্য জনাৰ অধিকাৰ আইন'ৰ অধীনত থানাত আপুনি এখন আবেদন কৰিব পাৰে। যিহেতু এই তথ্য কোনো ব্যক্তিৰ জীৱন আৰু স্বাধীনতাৰ লগত সম্পৰ্কীয়, সেয়ে ৪৮ ঘণ্টাৰ ভিতৰত আৰক্ষীয়ে আপোনাক এই তথ্য জনাবলৈ বাধ্য।

**৮৪. কোনো উচিত কাৰণ নোহোৱাকৈয়ে এগৰাকী আৰক্ষী বিষয়াই মোক গ্ৰেপ্তাৰ কৰিব পাৰেনে ?**

নোৱাৰে। আৰক্ষীয়ে কোনো ব্যক্তিক গ্ৰেপ্তাৰ কৰিবলৈ তেওঁক উচিত কাৰণ দেখুৱাব পাৰিব লাগিব। ধৰক, যদি কোনো এজন ব্যক্তিয়ে কিবা এটা দোষ কৰাৰ সময়ত হাতে লোটে ধৰা পৰে। এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিবলৈ পুলিচৰ হাতত উচিত কাৰণ থকাটো নিত্যান্তই আৱশ্যকীয়। কোনো ব্যক্তিয়ে অন্য এজন ব্যক্তিৰ বিপক্ষে এজাহাৰ দাখিল কৰাটোৱেই গ্ৰেপ্তাৰৰ কাৰণ হ'ব নোৱাৰে। আপোনাক গ্ৰেপ্তাৰ কৰিব পৰাকৈ আৰক্ষীৰ হাতত যথেষ্ট সাক্ষ্য আৰু কাৰণ থকাটো বাঞ্চনীয়।

দ্বিতীয়তে, যদি কোনো এজন ব্যক্তিক সাত বছৰ বা তাতোধিক বছৰ কাৰাবাস খাটিবলগীয়া অপৰাধত জড়িত থকাৰ সন্দেহত অভিযুক্ত কৰা হয় তেতিয়া আৰক্ষী বিষয়াই ব্যক্তিজনক সেই পৰ্যন্ত গ্ৰেপ্তাৰ কৰিব নোৱাৰে যেতিয়ালৈকে গ্ৰেপ্তাৰ কৰিবলগীয়া ব্যক্তিজনক এই কথাৰ দ্বাৰা আশ্বস্ত কৰিব নোৱাৰি যে তেওঁক আগন্তুক ভৱিষ্যতলৈ হ'বলগীয়া অপৰাধ বা সাক্ষ্য নষ্ট কৰাৰপৰা বাধা দিবলৈহে গ্ৰেপ্তাৰ কৰা হৈছে। লগতে আৰক্ষী বিষয়াজনে কাৰোবাক গ্ৰেপ্তাৰ কৰাৰ বা নকৰাৰ যিয়েই সিদ্ধান্ত নলওক, তাৰ কাৰণ লিখিতভাৱে দৰ্শাব লাগিব।

**৮৫. যদি আৰক্ষীয়ে কিবা অপৰাধ কৰা বুলি মোক সন্দেহ কৰে, তেওঁলোকে মোৰ পৰিয়ালৰ সদস্যসকলকো গ্ৰেপ্তাৰ কৰিব পাৰে নেকি ?**

নোৱাৰে। আত্মীয়তা বা একেলগে থকাৰ বাবে কোনো দোষী হ'ব নোৱাৰে। প্ৰত্যেক ব্যক্তিৰ দোষ বা নিৰ্দোষিতা তেওঁৰ ব্যক্তিগত কামৰ দ্বাৰাহে বিচাৰ কৰিব পাৰি; কোনোবা দোষী বা সন্দেহজনক ব্যক্তিৰ লগত থকা সম্পৰ্ক বা সম্বন্ধৰ বাবে নহয়। কোনো নিৰ্দিষ্ট আইনসংগত কাৰণ অবিহনে কোনো লোকৰ ব্যক্তিগত স্বাধীনতা কোনেও খৰ্ব কৰিব নোৱাৰে।

আৰক্ষীয়ে পৰিয়ালৰ সদস্যসকলক বা বন্ধু-বান্ধৱক বুজাপৰা কৰিবলৈ ভয় দেখুৱাব নোৱাৰে বা তেওঁলোকক আটক কৰিব নোৱাৰে। এনেধৰণে আটক কৰা কাৰ্য কমপক্ষেও বে-আইনী আটক বা অপহৰণৰ সমান গুৰুতৰ অপৰাধ হিচাপে গণ্য কৰা হয়।



কেছটো যিমানেই কঠিন নহওক কিয় সেইটো সমাধান কৰিবলৈ আৰক্ষীয়ে সন্দেহজনক ব্যক্তিগৰাকীক আত্মসমৰ্পণ কৰিবলৈ বা স্বীকাৰোক্তি দিবলৈ বে-আইনী প্ৰথাৰে হেঁচা প্ৰয়োগ কৰিব নোৱাৰে। মাথোঁ সেইসকল লোককহে গ্ৰেপ্তাৰ কৰিব পাৰে, যাৰ বিৰুদ্ধে অপৰাধ এটা কৰিছে বুলি ভাবিবলৈ যথেষ্ট যুক্তিযুক্ত ভিত্তি আছে।

**৮৬. মহিলাসকলক গ্ৰেপ্তাৰ কৰা বা গ্ৰেপ্তাৰৰ পিছত তেওঁলোকৰ প্ৰতি কৰা আচৰণৰ কিবা বিশেষ নীতি-নিয়ম আছে নেকি ?**

নিশ্চয় আছে। কোনো বিশেষ গুৰুতৰ কাৰণ নাথাকিলে মহিলা এগৰাকীক বেলি অস্ত যোৱাৰ পিছত আৰু ৰাতিপুৱাৰ আগত গ্ৰেপ্তাৰ কৰিব নোৱাৰে। আনকি তেতিয়াও গ্ৰেপ্তাৰৰ বাবে দণ্ডাধীশ এগৰাকীয়ে লিখিতভাৱে অনুমতি দিব লাগে। গ্ৰেপ্তাৰৰ কাৰণবোৰ চাই সন্তুষ্ট হ'লেহে দণ্ডাধীশে গ্ৰেপ্তাৰৰ বাবে অনুমতি দিয়ে। গ্ৰেপ্তাৰৰ সময়ত সেই স্থানত মহিলা আৰক্ষী বিষয়া উপস্থিত থাকিব লাগিব। থানাত মহিলাগৰাকীক এটা পৃথক লক্-আপত ৰাখিব লাগিব আৰু সকলো ধৰণৰ পৰীক্ষা, শাৰীৰিক তালাচি আদি মহিলা আৰক্ষী বিষয়া অথবা ডাক্তৰৰদ্বাৰাহে কৰিব পাৰিব। আৰক্ষী বিষয়াসকলৰ নিজৰ স্বাৰ্থৰ বাবেই তেওঁলোকে নিশ্চিতভাৱে মহিলা সম্পৰ্কীয় সকলো ধৰণৰ কাৰ্যপদ্ধতি সাৱধানেৰে অনুসৰণ কৰিব তথা সকলো ধৰণৰ কাৰ্যপদ্ধতি সাৱধানেৰে অনুসৰণ কৰিব তথা সকলো ধৰণৰ তথ্য-পাতি যত্নসহকাৰে ৰাখিব। আইনৰ মতে, মহিলাগৰাকীয়ে যদি আৰক্ষীৰ জিম্মাত থাকোঁতে ধৰ্ষিতা হোৱা বুলি অভিযোগ কৰে আৰু আৰক্ষী বিষয়াগৰাকীয়ে যদি এনেকুৱা হোৱা নাই বুলি প্ৰমাণ কৰিব নোৱাৰে, তেনেহ'লে তেওঁৰ অভিযোগ মানি লোৱা হয়।

**৮৭. আৰু শিশুসকলৰ ক্ষেত্ৰত? তেওঁলোকৰ বাবে বিশেষ নীতি-নিয়ম আছেনে?**



সাধাৰণ আইনৰ অধীনত সাত বছৰৰ তলৰ শিশুক কোনো অপৰাধৰ বাবে অভিযুক্ত কৰিব নোৱাৰি। গতিকে স্বাভাৱিকতে এইসকল শিশুক আৰক্ষীৰ জিম্মালৈ আনিব নোৱাৰি। কিন্তু ১৮ বছৰৰ তলৰ শিশুসকলৰ সোধা-পোছা, গ্ৰেপ্তাৰ, জিম্মাত ৰখা, মুক্তি আৰু জামিনৰ কাৰ্যপদ্ধতি 'কিশোৰ ন্যায় (শিশুসকলৰ যত্ন আৰু সুৰক্ষা) আইন-২০০২'ৰ দ্বাৰা নিয়ন্ত্ৰিত হয়।

প্ৰত্যেক থানাত কিশোৰসকলৰ বাবে বিশেষভাৱে প্ৰশিক্ষিত বিষয়াৰদ্বাৰা গঠিত এটা বিভাগ থাকিবই লাগে। কিশোৰসকলৰ যত্ন আৰু সুস্থতাৰ বাবে তেওঁলোকে দায়িত্ব ল'ব লাগিব। শিশুসকলক কোনো কাৰণতে লক্-আপত ৰাখিব নোৱাৰিব। তাৰ পৰিৱৰ্তে, অভিভাৱকৰ আশ্বাস আৰু জামিনত অতি সোনকালে তেওঁলোকক অভিভাৱকৰ হাতত গতাব লাগিব। যদি শিশুটোৰ অভিভাৱক উপস্থিত নাথাকে বা শিশুটো অসৎ সংগত পৰাৰ আশংকা থাকে, তেনেহ'লে কিশোৰ আদালতত উপস্থিত নকৰোৱালৈকে তেওঁক স্থানীয় নিৰীক্ষণ গৃহত ৰাখিব লাগিব। আইনী সংঘাতৰ আওতালৈ অহা শিশুৰ লগত কৰা আচৰণক নিয়ন্ত্ৰিত কৰা মূল নীতিটো হ'ল "শিশুটোক পূৰ্বৰ অৱস্থালৈ ঘূৰাই অনাৰ স্বাৰ্থত" সকলোধৰণৰ কাৰ্য প্ৰক্ৰিয়া শিশুৰ প্ৰতি সৌহাৰ্দ্যপূৰ্ণ হোৱা উচিত।

**৮৮. যদি আৰক্ষীয়ে মোক গ্ৰেপ্তাৰ কৰে, তেওঁলোকৰ যিমান দিনলৈ মন যায় সিমান দিনলৈ মোক তেওঁলোকৰ জিম্মাত ৰাখিব পাৰেনে?**

কোনোপধ্যেই নোৱাৰে। কোনো এজন ব্যক্তিক থানাত খুব বেছি ২৪ ঘণ্টাৰ বাবে আটক কৰি ৰাখিব পাৰে। তাতকৈ বেছি সময়ৰ বাবে নোৱাৰে। ২৪ ঘণ্টা হোৱাৰ আগতে আৰক্ষীয়ে এই গ্ৰেপ্তাৰক যুক্তিযুক্ত বুলি প্ৰমাণ কৰিবলৈ আৱশ্যকীয় সকলো নথিপত্ৰৰ সৈতে ব্যক্তিগৰাকীক দণ্ডাধীশৰ আগত হাজিৰ কৰাব লাগিব, তাৰ পিছত নহয়।

**৮৯. তেনেহ'লে কেনেকৈ শুক্ৰবাৰে সন্ধিয়া গ্ৰেপ্তাৰ কৰা লোকক সোমবাৰৰ ৰাতিপুৱালৈকে আৰক্ষীৰ জিম্মাত ৰখা হয়?**

এনেকুৱা বে-আইনী আচৰণৰ বাবে আৰক্ষীয়ে কৈফিয়ৎ দিয়ে যে সপ্তাহৰ শেষ দুদিন হোৱা বাবে কোনো দণ্ডাধীশক পোৱা নগ'ল। কিন্তু এয়া একেবাৰে মিছা কথা। প্ৰকৃততে সপ্তাহৰ সাত দিন আৰু প্ৰত্যেক দিনে ২৪ ঘণ্টাত দণ্ডাধীশ এজন কৰ্তব্যৰত হৈ থাকে। আৰক্ষীৰ হাজোতত থকা লোক এজনৰ যদি ২৪ ঘণ্টাৰ সময় সীমা আদালতৰ নিয়মীয়া সময়ৰ পিছত শেষ হয়, তেনেহ'লে তেওঁক দণ্ডাধীশৰ ঘৰতো উপস্থিত কৰিব পাৰে। দণ্ডাধীশে সন্দেহজনক ব্যক্তিগৰাকীক দেখা কৰিবলৈ অস্বীকাৰ কৰিব নোৱাৰে।

**৯০. মই ক'ত আছোঁ এই কথা আনে কেনেদৰে জানিব?**

ভাৰতীয় ন্যায়ব্যৱস্থাত এনে বহুতো সুৰক্ষা ব্যৱস্থা আছে যি আপোনাক হেৰাই যোৱাৰপৰা ৰক্ষা কৰে। যেতিয়া কোনো আৰক্ষী বিষয়াই আপোনাক গ্ৰেপ্তাৰ কৰে তেওঁলোকে বহুতো নীতি নিয়মৰ মাজেদি যাবলগীয়া হয়। তেওঁলোকে এটা 'গ্ৰেপ্তাৰী টোকা' প্ৰস্তুত কৰি স্থানীয় দণ্ডাধীশলৈ প্ৰেৰণ কৰাটো বাধ্যতামূলক। তেওঁলোকে আপোনাক এই কথাৰ নিশ্চিতি দিব লাগিব যে আপুনি অতিশীঘ্ৰেই এজন উকীল বা



অন্য আইনী সাহায্য পাব পাৰে। আৰক্ষীয়ে লগতে আপোনাৰ পৰিয়াল বা আপোনাৰ কোনো বন্ধুক আপুনি ক'ত আছে এই কথা অৱগত কৰিব লাগে। এই সকলোবোৰ নিয়ম আইনৰদ্বাৰা এইকাৰণেই বান্ধি দিয়া হৈছে যাতে আৰক্ষীয়ে তেওঁলোকৰ হাতত থকা ক্ষমতাৰ অপপ্ৰয়োগ কৰিব নোৱাৰে। যদি আৰক্ষীয়ে এই নীতি নিয়মবোৰ মানি নচলে তেওঁলোক আদালতৰ ওচৰত জৱাবদিহি হ'ব। লগতে আৰক্ষীয়ে জিলা আৰক্ষী নিয়ন্ত্ৰণ কক্ষৰ সন্মুখত এখন ফলকত আটকাধীন ব্যক্তিসকলৰ নাম আৰু ঠিকনা আৰু তেওঁলোকক আটক কৰা আৰক্ষী বিষয়াৰ নাম আৰু ঠিকনা লিখি ৰাখিব লাগে। প্ৰত্যেক ৰাজ্যৰ আৰক্ষীৰ মুখ্য কাৰ্যালয় নিয়ন্ত্ৰণ কক্ষৰ দ্বাৰাও সেই ৰাজ্যত গ্ৰেপ্তাৰ বৰণ কৰা ব্যক্তিসকলৰ সম্পৰ্কে থকা তথ্য আৰু তেওঁলোকক কি ভুলৰ বাবে গ্ৰেপ্তাৰ কৰা হৈছে এই কথাৰ তথ্যও সাধাৰণ জনতাই জানিব পৰাকৈ তেওঁলোকৰ লগত ৰাখিব লাগে।

**৯১. মোৰ বাবে 'গ্ৰেপ্তাৰী টোকা'ৰ প্ৰয়োজন কি ?**

বে-আইনী আটকৰ বিৰুদ্ধে এয়া এক সুৰক্ষা ব্যৱস্থা। গ্ৰেপ্তাৰী টোকাত আপোনাৰ নাম, গ্ৰেপ্তাৰৰ সময়, তাৰিখ আৰু স্থান, গ্ৰেপ্তাৰৰ কাৰণ, আৰু সন্দেহ কৰা অপৰাধটো কি সেয়া লিখা থাকিব লাগিব। এই তথ্যখিনি সত্য বুলি নিশ্চিত কৰিবলৈ ইয়াত আৰক্ষী, দুগৰাকী সাক্ষী আৰু আপুনি চহী কৰিব লাগিব। এয়া দণ্ডাধীশক দিয়া হ'ব আৰু দণ্ডাধীশে যেতিয়া আপোনাক প্ৰথমবাৰ লগ পাব, তেতিয়া তেওঁ পুনৰবাৰ পৰীক্ষা কৰি চাব কোৱা কথাখিনি সত্য হয় নে নহয়। আৰক্ষীয়ে এখন 'অনুসন্ধান মেমো'ও প্ৰস্তুত কৰিব লাগে।

**৯২. 'অনুসন্ধান মেমো' কি ?**

আপোনাক গ্ৰেপ্তাৰ কৰাৰ সময়ত আপোনাৰ শাৰীৰিক অৱস্থাৰ বিষয়ে এয়া এটা চমু বিবৰণ। আপোনাৰ সাধাৰণ শাৰীৰিক অৱস্থা আৰু গুৰুতৰ তথা সৰু-সুৰা আঘাতৰ কথা ইয়াত লিখা থাকিব লাগে। আকৌ, এইখনত আপোনাক গ্ৰেপ্তাৰ কৰা আৰক্ষী বিষয়া আৰু আপুনি চহী কৰিব লাগিব আৰু ইয়াৰ এটা প্ৰতিলিপি আপোনাক দিয়া হ'ব। গ্ৰেপ্তাৰৰ মেমো আৰু এইখন মেমোৰ পাৰ্থক্য হ'ল এইখন মেমোৰ বাবে আপুনি অনুৰোধ কৰিব লাগিব। অন্যথা এইখন আপোনাক দিয়া নহ'ব। আৰক্ষীৰ জিম্মাত থকা সময়ত কোনো ধৰণৰ মাৰধৰ বা অত্যাচাৰ নোহোৱাটো নিশ্চিত কৰিবলৈ এই প্ৰক্ৰিয়াটো ৰখা হৈছে।

কিন্তু আপোনাক কোনে পৰীক্ষা কৰিব, সেয়া স্পষ্ট নহয়। যদি আৰক্ষী বিষয়াজনে নিজে আপোনাক পৰীক্ষা কৰে, তেনেহ'লে এই কাগজৰ টুকুৰাটোৱে আপোনাক সুৰক্ষা দিয়াৰ সম্ভাৱনা কম। কিন্তু যিহেতু আপোনাক দণ্ডাধীশৰ আগত প্ৰথমবাৰৰ বাবে উপস্থিত কৰাওঁতে অন্য সকলো কাগজ-পত্ৰৰ লগত আপোনাৰ শাৰীৰিক অৱস্থাৰ বিষয়ে ডাক্তৰৰ প্ৰমাণপত্ৰ এখন লাগে, গতিকে দণ্ডাধীশৰ ওচৰলৈ নিয়াৰ আগতে এজন ডাক্তৰৰ হতুৱাই আপোনাক পৰীক্ষা কৰাবই লাগিব।

**৯৩. এইবোৰৰ বিষয়ে মই কেনেদৰে জানিব পাৰিম ?**

আইন মতে গ্ৰেপ্তাৰৰ সময়ত আৰক্ষীয়ে আপোনাৰ সকলো অধিকাৰৰ বিষয়ে

আপোনাক জনাব লাগে। তদুপৰি ওপৰত উল্লেখ কৰা নিৰ্দেশিকাবোৰ সকলো আৰক্ষী চকী আৰু থানাত সকলোৰে দেখা পোৱাকৈ ৰাখিব লাগে। উচ্চতম ন্যায়ালয়ৰ যিটো কেছত এই নিৰ্দেশিকাবোৰ নিৰ্ধাৰণ কৰা হৈছিল, সেই কেছৰ নামত এই নিৰ্দেশিকাবোৰক কেতিয়াবা ডি কে বসু (D.K.Bose) নিৰ্দেশিকা বুলিও কোৱা হয়।

**৯৪. আৰক্ষীৰ জিম্মাত থকা সময়ত তেওঁলোকে মোক মাৰ-ধৰ কৰিব পাৰেনে?**

নোৱাৰে। হাজোতত থকা সময়ত আৰক্ষীয়ে আপোনাক মাৰ-ধৰ কৰিব, চৰিয়াব, ভয় দেখুৱাব বা আতংকিত কৰিব নোৱাৰে। এনে কাৰ্য আইন বিৰুদ্ধ। এনে কাৰ্য কৰিলে আৰক্ষী বিষয়াগৰাকী শাস্তিৰ সন্মুখীন হ'ব লাগিব।

**৯৫. স্বীকাৰোক্তি দিবৰ বাবে আৰক্ষীয়ে মোক শক্তি প্ৰয়োগ কৰিব পাৰেনে?**



নোৱাৰে। আপোনাক প্ৰশ্ন সুধিবলৈ আৰক্ষী বিষয়াগৰাকীৰ অধিকাৰ আছে। কিন্তু আপুনি নজনা তথ্য জনাবলৈ বা আপুনি ক'ব নিবিচৰা কথা কোৱাবলৈ বা আপুনি নকৰা অপৰাধ এটা কৰা বুলি স্বীকাৰোক্তি দিয়াবলৈ তেওঁলোকে আপোনাৰ ওপৰত শক্তিৰ ব্যৱহাৰ কৰিব নোৱাৰে। কোনো ক্ষেত্ৰতে আৰক্ষী বিষয়া এগৰাকীক দিয়া স্বীকাৰোক্তি আদালতত গ্ৰহণযোগ্য নহয়।

**৯৬. ইমানবোৰ বাধা-নিষেধ মানি আৰক্ষীয়ে দোষী ব্যক্তিক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হ'ব পাৰেনে?**

প্ৰথম কথা, কোন দোষী বা কোন নিৰ্দোষী সেই সিদ্ধান্ত লোৱা আৰক্ষীৰ কাম নহয়। আৰক্ষীয়ে মাথোঁ সন্দেহজনক ব্যক্তি বা অভিযুক্ত লোকক ধৰিব বা গ্ৰেপ্তাৰ কৰিব পাৰে। কিন্তু তেওঁক দোষী হিচাপে গণ্য কৰি শাস্তি দিয়াৰ অধিকাৰ আৰক্ষীৰ নাই। দোষী-নিৰ্দোষীৰ বিচাৰ কৰা বা দোষীক শাস্তি দিয়া আদালতৰ কাম। আইনী বিচাৰাধীন অৱস্থাত, আৰক্ষীৰ জিম্মাত থকা লোকক মিছা অভিযোগ বা দুৰ্ব্যৱহাৰৰপৰা সকলোধৰণৰ সুৰক্ষা দিব লাগিব। সেই কাৰণে এই 'বাধা-নিষেধবোৰ' আছে। আচলতে, এইবোৰ মুঠেও বাধা-নিষেধ নহয়। এইবোৰ হ'ল আদালতৰ আগত যাতে সকলোৰে সমানে সুবিধা পায়, সেয়া নিশ্চিত কৰিবলৈ পৰিকল্পনা কৰা কাৰ্য-পদ্ধতি।

**৯৭. অভিযুক্তৰ বাবে বহুতো অধিকাৰ আছে, নহয়নে? কিন্তু ভুক্তভোগীৰ বাবে কি আছে?**

বহুত মানুহে ভাবে ভুক্তভোগীৰ কথা ভাবিবলৈ কোনো নাই। কিন্তু আচলতে ৰাষ্ট্ৰৰ সকলো শক্তি ভুক্তভোগীৰ লগতেই আছে। ভুক্তভোগীসকলৰ স্বাৰ্থতেই ৰাষ্ট্ৰই অপৰাধীসকলক বিচাৰে। ভুক্তভোগীসকলৰ স্বাৰ্থতেই আদালতত সপক্ষে যুক্তি দিবলৈ ৰাষ্ট্ৰই এজন উকিল নিয়োগ কৰে। ভুক্তভোগীসকলৰ হৈ ৰাষ্ট্ৰই দোষীক শাস্তি দিয়ে। কিন্তু অভিযুক্তজন সদায় অকলশৰীয়া। তেওঁ মুঠেও দোষী নহ'ব পাৰে। গতিকে নিজে নিজক সুৰক্ষা দিবলগীয়া এজন ব্যক্তিৰ বিৰুদ্ধে ৰাষ্ট্ৰৰ ক্ষমতাক সুষম কৰিবলৈ আইনে

কিছুমান সুৰক্ষাৰ ব্যৱস্থা কৰিছে আৰু যিসকলে ব্যয় বহন কৰিবলৈ সমৰ্থ নহয়, তেওঁলোকৰ বাবে বিনামূলীয়া আইনী সাহায্যৰ দৰে সুবিধা আগবঢ়াইছে।

**৯৮. অআৰক্ষীৰপৰা মই জামিন পাব পাৰোঁনে?**

এয়া অপৰাধৰ ধৰণৰ ওপৰত নিৰ্ভৰ কৰে। যদি আপোনাক জামিনযোগ্য অপৰাধত গ্ৰেপ্তাৰ কৰা হৈছে তেনেহ'লে আপুনি আৰক্ষীৰপৰা জামিন পাব পাৰে। কিন্তু যদি আপোনাক জামিন-অযোগ্য অপৰাধত গ্ৰেপ্তাৰ কৰা হৈছে তেনেহ'লে আৰক্ষীয়ে আপোনাক জামিনত মুক্তি দিব নোৱাৰে। মাথোঁ কেইটামান অপৰাধতহে আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই জামিনত মুক্তি দিব পাৰে।

**৯৯. 'জামিনযোগ্য' আৰু 'জামিন অযোগ্য' অপৰাধ মানে কি জনা দৰকাৰী নেকি?**

হয়, দৰকাৰী। জামিনযোগ্য অপৰাধবোৰ হ'ল কম গুৰুতৰ অপৰাধ, যিবোৰত জামিনত মুক্তি আপোনাৰ অধিকাৰ। এনে কেছত আৰক্ষীৰপৰা আপুনি ততালিকে জামিনত মুক্তি পাবই লাগিব। জামিন-অযোগ্য অপৰাধবোৰ গুৰুতৰ অপৰাধ। এনে অপৰাধবোৰত জামিনত মুক্তি হ'ল বিশেষ সুবিধা। মাথোঁ আদালতেহে আপোনাক এই সুবিধা দিব পাৰে। কেতিয়াবা খুব কম সংখ্যক অন্যধৰণৰ কেছত আৰক্ষীয়ে জামিন দিব পাৰে।

**১০০. যদি মই জামিন-অযোগ্য অপৰাধত অভিযুক্ত হওঁ, মই কেতিয়াও জামিন নাপাম নেকি?**


জামিন-অযোগ্য অপৰাধৰ বাবে আপুনি জামিন পাব পাৰে। তাৰ বাবে আপুনি আদালতত আবেদন কৰিব লাগিব। আদালতে আপোনাৰ অপৰাধৰ গুৰুত্ব বিচাৰ কৰিব, জামিনত মুক্তি দিলে আপুনি পলাই যাব নেকি বা সাক্ষীক ভয় দেখুৱাব বা প্ৰমাণবোৰ নষ্ট কৰিব নেকি বিচাৰ কৰি চাব। যদি আদালতে ভাবে যে আপুনি তেনেকুৱা একো নকৰে, তেনেহ'লে আপোনাক জামিনত মুক্তি দিব।

**১০১. তাৰমানে মই এতিয়া মুক্ত হ'লোঁ বুলি বুজায় নেকি?**


মুঠেই নহয়। ইয়াৰ পিছতো আপুনি বিচাৰৰ সন্মুখীন হ'ব লাগিব। বিচাৰৰ সময়ত আদালতে সিদ্ধান্ত ল'ব আপুনি দোষী নে নিৰ্দোষী।



# আৰক্ষীৰ পদাধিকাৰৰ চিহ্ন



আৰক্ষী
সঞ্চালকপ্ৰধান
(DGP)



আৰক্ষী
মহাপৰিদৰ্শক
(IGP)




সহ-আৰক্ষী
মহাপৰিদৰ্শক
(DIG)



জ্যেষ্ঠ আৰক্ষী
অধীক্ষক (SSP)




আৰক্ষী
অধীক্ষক (SP)



অতিৰিক্ত আৰক্ষী
অধীক্ষক
(Addl. SP)


# আৰক্ষীৰ পদাধিকাৰৰ চিহ্ন



সহ/উপ-আৰক্ষী
অধীক্ষক
(ASP/DySP)



পৰিদৰ্শক (IP)



উপ-পৰিদৰ্শক
(SI)



সহ-উপ-পৰিদৰ্শক
(ASI)



মুৰব্বী
কনিষ্টবল
(HC)

# CHRI কাৰ্যক্ৰম

মানুহৰ জীৱনত মানৱ অধিকাৰ, প্ৰকৃত গণতন্ত্ৰ আৰু উন্নয়ন বাস্তৱ হ'বলৈ হ'লে কমনৱেল্থৰ ভিতৰত আৰু ইয়াৰ সদস্য দেশসমূহত জবাবদিহি আৰু অংশগ্ৰহণৰ বাবে উচ্চ মানদণ্ড আৰু সক্ষম কাৰ্যপ্ৰণালী থাকিবই লাগিব। এই বিশ্বাসৰ ওপৰতেই CHRI-ৰ কামবোৰ আধাৰিত। গতিকে মানৱ অধিকাৰ প্ৰচাৰৰ বাবে এক বিস্তৃত কাৰ্যসূচীৰ উপৰি CHRI-এ সূচনাৰ অধিকাৰ আৰু ন্যায়ৰ অধিকাৰৰ বাবে প্ৰচাৰৰ জৰিয়তে ওকালতি কৰে। গৱেষণা, প্ৰকাশন, কৰ্মশালা সূচনাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ জৰিয়তে CHRI-এ এই কাম কৰে।

## মানৱ অধিকাৰৰ প্ৰসাৰ

CHRI-এ স্বীকৃতিপ্ৰাপ্ত কমনৱেল্থ সমিতিবোৰ আৰু সদস্য চৰকাৰবোৰক নিয়মিতভাৱে প্ৰতিবেদন দাখিল কৰে। সময়ে সময়ে CHRI-এ সত্য অন্বেষণৰ অভিযান কিছুমান অনুষ্ঠিত কৰে। ১৯৯৫ চনৰপৰাই নাইজেৰিয়া, জাম্বিয়া, ফিজি দ্বীপপুঞ্জ আৰু চিৰা লিঅনত এনে অভিযান চলাইছে। CHRI-এ কমনৱেল্থ মানৱ অধিকাৰ সংযোগকাৰী ব্যৱস্থাৰ সমন্বয় সাধনো কৰে, যাৰদ্বাৰা তেওঁলোকে বিভিন্ন গোটবোৰক একলগ কৰি মানৱ অধিকাৰৰ বাবে ওকালতি কৰিবলৈ তেওঁলোকৰ সমূহীয়া শক্তিক মজবুত কৰে। CHRI-ৰ প্ৰচাৰ বিভাগে মানৱ অধিকাৰৰ বিষয়বোৰৰ সম্পৰ্কে ৰাইজক সচেতন কৰা নিশ্চিত কৰে।

## সূচনা লাভৰ পথ

CHRI-এ দ্ৰুত কাৰ্যপন্থা গ্ৰহণৰ বাবে নাগৰিক সমাজ আৰু চৰকাৰৰ লগত অনুঘটকৰ কাম কৰে, শক্তিশালী আইন প্ৰণয়নৰ সমৰ্থনত কাৰিকৰী বিশেষজ্ঞৰ কেন্দ্ৰ হিচাপে কাম কৰে, আৰু ভাল আচৰণৰ প্ৰয়োগত সহযোগীসকলক সহায় কৰে। CHRI-এ নাগৰিক সমাজ আৰু চৰকাৰৰ সক্ষমতা বৃদ্ধিৰ বাবে তথা নীতি নিৰ্ধাৰণকাৰীসকলৰ লগত সপক্ষে ক'বৰ বাবে স্থানীয় গোট তথা কাৰ্যবাহীসকলৰ লগত সহযোগিতাৰে কাম কৰে। CHRI-এ দক্ষিণ এছিয়াত সক্ৰিয়ভাৱে কাম কৰি আছে। অতি সম্প্ৰতি ভাৰতত এক ৰাষ্ট্ৰীয় আইনৰ বাবে সফল প্ৰচাৰ অভিযানত CHRI-এ সহযোগ কৰিছে। আফ্ৰিকাত আইনী খচৰা প্ৰস্তুত কৰোতে CHRI-এ বৰঙণি তথা সহযোগ আগবঢ়ায়। CHRI-এ প্ৰশান্ত মহাসাগৰীয় দেশসমূহত আইন প্ৰণয়ন-প্ৰক্ৰিয়া খৰতকীয়া কৰাৰ স্বাৰ্থত আঞ্চলিক আৰু জাতীয় সংগঠনসমূহৰ লগত সহযোগিতাৰে কাম কৰি আহিছে।

## ন্যায় লাভৰ পথ

**আৰক্ষীৰ সংশোধন ঃ** বহুতো দেশত আৰক্ষীসকলক নাগৰিকৰ অধিকাৰৰ সুৰক্ষা প্ৰদানকাৰীতকৈ ৰাষ্ট্ৰৰ দমনকাৰী মাধ্যম হিচাপেহে দেখা যায়। ইয়াৰ ফলত সেইবোৰ দেশত ব্যাপকভাৱে নাগৰিকৰ অধিকাৰ ভংগ আৰু ন্যায় অগ্ৰাহ্যৰ ঘটনা ঘটে। CHRI-এ আৰক্ষীৰ পদ্ধতিগত সংস্কাৰ সাধনৰ পোষকতা কৰে, যাতে আৰক্ষীয়ে প্ৰচলিত শাসনৰ মাধ্যম হিচাপে নহয়, আইনৰ শাসনৰ ৰক্ষক হিচাপেহে কাম কৰে। ভাৰতত CHRI-ৰ কাৰ্যক্ৰমে আৰক্ষীৰ সংস্কাৰৰ বাবে নাগৰিকৰ সহযোগক সংগঠিত কৰিবলৈ লক্ষ্য থিৰাং কৰিছে। পূব আফ্ৰিকা আৰু ঘানাত CHRI-এ আৰক্ষীৰ জবাবদিহিৰ বিষয়বোৰ আৰু ৰাজনৈতিক হস্তক্ষেপক পৰীক্ষা কৰি আছে।

## কাৰাগাৰ সংশোধন

পৰম্পৰাগতভাৱে চলি অহা আবদ্ধ প্ৰণালী এটাৰ স্বচ্ছতা বৃদ্ধি আৰু অপকৰ্মক বাহিৰলৈ লৈ অহাত CHRI-ৰ কামে আলোকপাত কৰে। CHRI-ৰ কামে আলোকপাত কৰা এটা গুৰুত্বপূৰ্ণ এলেকা হ'ল আইনী ব্যৱস্থাৰ বিফলতা আৰু কাৰাগাৰবোৰত ভয়লগা ধৰণে বন্দীৰ বৰ্ধিত সংখ্যা, অত্যধিক দীঘল বিচাৰপূৰ্বক আটক আৰু কাৰাগাৰ বসতি। CHRI-এ এইবোৰ সমস্যাৰ সমাধানৰ বাবে হস্তক্ষেপ কৰিবলৈ নিজকে নিযুক্ত কৰিছে। CHRI-এ মনঃসংযোগ কৰা আন এটা এলেকা হ'ল সম্পূৰ্ণৰূপে বিফল হোৱা কাৰাগাৰ ব্যৱস্থাপনা-পদ্ধতিক পুনৰ্জীৱিত কৰা। আমি বিশ্বাস কৰোঁ যে এইবোৰ এলেকাত দিয়া মনোযোগে কাৰাগাৰ প্ৰশাসনত উন্নতি আনিব তথা সামগ্ৰিকভাৱে ন্যায় প্ৰশাসনত টুকুৰিয়াই চাব।

# প্ৰাপ্তবয়স্কই শিকিবলৈ এখন শিশুৰ উপযোগী কিতাপ

Friedrich Naumann STIFTUNG FÜR DIE FREIHEIT

USO House, 6, Special Institutional Area, New Delhi 110067, INDIA
Phone: +91-11-2686 2064/ 2686 3846 Fax: +91-11-2686 2042
www.southasia.fnst.org www.stiftung-freiheit.org

**Delegation of the European Union to India**
**5/5, Shantiniketan,**
**New Dellhi - 110021**
Ph - +91-11-66781919
Fax - +91-11-66781955
**website: http://eeas.europa.eu/delegations/india/index_on.htm**

This report has been produced with the financial assistance of the European Union. The European Union is made up of 28 Member States who have decided to gradually link together their know-how, resources and destinies. Together, during a period of enlargement of 50 years, they have built a zone of stability, democracy and sustainable development whilst maintaining cultural diversity, tolerance and individual freedoms. The European Union is committed to sharing its achievements and its values with countries and peoples beyond its borders.

*The contents of this report are the sole responsibility of CHRI and can under no circumstances be regarded as reflecting the position of the European Union.*

**কমনৱেল্‌থ হিউমেন ৰাইটছ ইনিচিয়েটিভ**
৫৫ এ, তৃতীয় মহলা, সিদ্ধাৰ্থ চেম্বাৰ্চ, কালুসৰায়,
নতুন দিল্লী - ১১০০১৬, ভাৰত,
দূৰভাষ ঃ +৯১-১১-৪৩১৮-০২০০, ৪৩১৮-০২০১
ফেক্স ঃ +৯১-১১-৪৬১৮-০২০৭
info@humanrightsinitiative.org;
www. humanrightsinitiative.org

**NEN**
নৰ্থ ইষ্ট নেটৱৰ্ক
জে.এন.বৰুৱা লেন,
যোৰ পুখুৰী গুৱাহাটী - ৭৮১০০১, অসম
ফোন ঃ (৯১-৩৬১)২৬০৩৮৩৩
e-mail: nen@northeastnetwork.org,
website: www.northeastnetwork.org